
# বিকালিয়ান

# BIKALIAN


















PRINCIPAL



TEACHING STAFF



EDITORIAL BOARD



BIKALI COLLEGE STUDENTS' UNION
SESSION - 2010-11



PROF.-IN-CHARGE WITH STUDENTS' UNION



NON-TEACHING STAFF

TAKEN INTO STOCK
PAGE NO. 24
Library, Bikali College, Dhupdhara
07

# বিকালিয়ান

বিকালী মহাবিদ্যালয়ৰ মুখপত্ৰ

BIKALI COLLEGE
: DHUPDHARA :
ESTD.- 1982

## সপ্তম সংখ্যা

২০১০-১১ আৰু ২০১১-১২ ইং শিক্ষা বৰ্ষ

তত্ত্বাবধায়ক
ভূপতি দাস
উপদেষ্টা
ড° এম্ গোপাল সিংহ

সম্পাদকদ্বয়
গীতুমণি দাস
চান্দাম হুছেইন

# বিকালিয়ান

২০১০-১১ আৰু ২০১১-১২ ইং শিক্ষা বৰ্ষ


| | | |
|---|---|---|
| প্ৰকাশক | ঃ | বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ধূপধৰা |
| **সম্পাদনা সমিতি** | | |
| সভানেত্ৰী | ঃ | ড° মলিনা দেৱী ৰাভা |
| সম্পাদকদ্বয় | ঃ | গীতুমণি দাস<br>চাদ্দাম হুছেইন |
| তত্ত্বাবধায়ক | ঃ | ভূপতি দাস |
| উপদেষ্টা | ঃ | ড° এম্ গোপাল সিংহ |
| সদস্য/সদস্যা মণ্ডলী | ঃ | পংকজ ৰাভা<br>অমল ৰাভা<br>সীমাশ্ৰী দৈমাৰী<br>সৌৰভ পাঠক |
| ছপা | ঃ | হ'ৱাইট লিফ্ পাব্লিকেশ্বন, ধূপধৰা |



# শ্ৰদ্ধাঞ্জলি



আমি অতি কম সময়ৰ ভিতৰত দুগৰাকী স্বনাম ধন্য অসমীয়াক হেৰুৱালোঁ। তাৰে এগৰাকী হ'ল-সংগীত সূৰ্য ড° ভূপেন হাজৰিকা। অসমীয়া জাতিৰ প্ৰাণ স্পন্দন, হিয়াৰ আমঠু ড° হাজৰিকা। ওৰেটো জীৱন সংগীত সমুদ্ৰ সাঁতুৰি-নাদুৰি তাৰ পৰা মণি-মুকুতা উলিয়াই তেখেতে অসমীয়া জাতিক দি থৈ গ'ল এটি যাউতী যুগীয়া সুৱদী কণ্ঠ, যি কণ্ঠত নিগৰি আহিছিল বহ্নিৱান লুইতৰ দুয়োপাৰৰ খাতি খোৱা অসমীয়াৰ প্ৰাণ স্পন্দন হৃদয়ৰ আস্থাৰ গান। অগ্নি যুগৰ ফিৰিঙতি হৈ নতুন অসম গঢ়াৰ স্বপ্ন, দুৰন্ত হেপাহে যাক দিছিল ভূৱন ভুলোৱা গানৰ অমৃত সুৰ - যি সুৰত প্ৰতিবিম্বিত হৈ উঠিছিল প্ৰেম, ভালপোৱা, মানবতাবোধ আৰু অহিংসা। - সেই চিনাকি সুৰৰ মায়াজালত যেন আজি প্ৰতিগৰাকী অসমীয়াৰ মন-প্ৰাণ আৱদ্ধ। বিশ্ব অৰঙে-দৰঙে ঘুৰি-ফুৰি যাজাবৰী জীৱন-যাপান কৰি গগন চুম্বী অট্টালিকাত বাস কৰা জনৰপৰা আৰম্ভ কৰি গৃহহীন জনলৈ সুৰৰ মধুৰ মুচ্ছৰ্না কঢ়িয়াই অনা আমাৰ অতিকৈ আপোন ড° হাজৰিকা আৰু আমাৰ মাজত নাই।

জীৱন কালতে কিংবদন্তী হৈ পৰা অসমীয়াৰ অতি আপোন দাদা চাহেব ফাল্কে বঁটা বিজয়ী, পদ্মশ্ৰী,পদ্মভূষণ, অসম ৰত্ন আদি বিবিধ বিভূষণেৰে বিভূষিত ড° হাজৰিকাৰ মৃত্যু এক সহিব নোৱাৰা বেদনা। অসমৰ বায়ু,মাটি আৰু পানীৰ পৰশত সঞ্জীৱিত হৈ উঠা চিৰ যুগমীয়া ঢৌ তুলি আশাৰ পানচৈ হৈ ঘুৰি ফুৰা তেখেতৰ গানত বাজি উঠা সুৰৰ বন্যাই যেন উটি-ভাহি লৈ যাব বহু দূৰ দূৰলৈ সীমাহীন দিগন্তৰ বাধা নেওচি।

এটি গান শেষ হ'ল- যি গানত লুকাই আছে সমস্ত অসমীয়াৰ প্ৰাণ। অষ্টমিত সূৰুযৰ কিৰণৰ আভাই যিদৰে পিছদিনৰ এটি প্ৰভাতি সূৰুযৰ বতৰা দিয়ে ঠিক তেনেদৰে তোমাৰ অষ্টমীত গানৰ সুৰে প্ৰাণ স্পন্দিত কৰক প্ৰতিগৰাকী অসমীয়াৰ প্ৰাণ।

"হে মহান! তোমাক দিবলৈ আমাৰ একোৱে নাই - আছে মাথো হৃদয়ৰ নিৰ্ভিত কোনৰ পৰা নিগৰি অহা মৰম ভালপোৱা আৰু চিৰ কৃতজ্ঞতা। তাৰে কামনাৰে নিবেদন কৰিছোঁ হিয়া ভৰা অশ্ৰু অঞ্জলি। হে গুণী লহু প্ৰণাম।

ড° হাজৰিকাৰ মৃত্যু শোক ম্লান নৌওপৰতে আমি হেৰুৱালোঁ আন এগৰাকী স্বনামধন্য অসমীয়া ড° মামণি ৰয়ছম গোস্বামীক। জ্ঞানপীঠ বঁটা বিজয়ী, ৰামায়ণি সাহিত্যৰ নিৰলস সাধক, উয়ে খোৱা দঁতাল হাতী হাওদা, মামৰে ধৰা তোৰোৱাল, আধা লেখা দস্তাবেজৰ দৰে কালজয়ী গ্ৰন্থ ৰচনা কৰি মামণি ৰয়ছম গোস্বামীয়ে নিজকে এজন শ্ৰেষ্ঠ অসমীয়া হিচাপে প্ৰতিষ্ঠিত কৰিলে। তেখেতৰ অকাল মৃত্যু অসমৰ কলা সাহিত্য আৰু সংস্কৃতি জগতৰ এক অপূৰণীয় ক্ষতি। ড° ৰয়ছম গোস্বামীলৈ যাচিছোঁ হিয়া ভৰা অশ্ৰু অঞ্জলি।

বিকালিয়ানৰ এই সংখ্যা এই দুগৰাকী মহান অসমীয়াৰ নামত উচৰ্গা কৰিলো।

*সম্পাদনা সমিতি*

ৰংবং তেৰাং
সভাপতি
**অসম সাহিত্য সভা**



# শুভেচ্ছাবাণী

গোৱালপাৰা জিলাৰ ধূপধৰাত অৱস্থিত উচ্চ শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান বিকালী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'বিকালিয়ান' প্ৰকাশ কৰিব বুলি জানি আনন্দ অনুভৱ কৰিছোঁ।

বছৰ বছৰ ধৰি শিক্ষাদানেৰে হাজাৰজনক জ্ঞানচক্ষু প্ৰদান কৰা মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ বতৰা লৈ 'বিকালিয়ান' সাহিত্য-চৰ্চাৰ কঠিয়াতলী হ'ব- তাৰেই কামনাৰে সবালৈকে মোৰ আন্তৰিক শুভেচ্ছা যাচিলোঁ।

'চিৰ চেনেহী মোৰ ভাষা জননী'

দিনাংঃ ১০ পুহ, ১৪১৮ ভাস্কৰাব্দ

(ৰংবং তেৰাং)
সভাপতি



# অধ্যক্ষাৰ একাষাৰ

সাম্প্ৰতিক কালত সৰ্বত্ৰতে প্ৰাচ্য-পাশ্চাত্যৰ ভাবাদৰ্শই গা কৰি উঠাৰ লগে লগে ৰাষ্ট্ৰৰ ঐতিহ্য পৰম্পৰাই আধুনিক ৰূপত আত্মপ্ৰকাশ লাভ কৰাটো লক্ষণীয়। ১৯৮২ ইং চনত প্ৰতিষ্ঠিত বিকালী মহাবিদ্যালয়ত পৰিবৰ্তনৰ সমস্যা আছে যদিও প্ৰতিষ্ঠা কালৰ পুৰোধা ব্যক্তিসকলৰ আকাঙ্খাক বাস্তৱায়িত কৰাৰ উদ্দেশ্যে আৰম্ভণিৰ পৰাই শিক্ষক -কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে মিলি বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ মাজেৰে বিদ্যায়তনিক দিশৰ বিকাশ সাধনৰ উপৰিও সামাজিক দায়বদ্ধতা, সভ্যতা, সংস্কৃতি আৰু এই অঞ্চলৰ ঐতিহ্য আৰু পৰম্পৰাক আধুনিক দৃষ্টিভংগীৰে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সেৱা আগবঢ়াই আহিছে।

ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন আৰু প্ৰতিভাশালী শিক্ষাৰ্থীৰ যোগেদি সমাজ গঠন প্ৰক্ৰিয়া আৰম্ভ কৰি সভ্যতা সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰ কৰাই শিক্ষানুষ্ঠানখনৰ মূল লক্ষ্য।

সেয়েহে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিবৰ্তনশীল সময়ৰ স'তে বাট বুলিবলৈ নিষ্ঠা আৰু সততাৰে আগবাঢ়ি আহিলে এই অঞ্চলৰ পুৰোধা ব্যক্তিসকলৰ ইঙ্গিত লক্ষ্যত আমি উপনিত হ'ব পাৰিম। “বিকালিয়ান” আলোচনী বিকালী মহাবিদ্যালয়ৰ দাপোন। বিকালিয়ানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক দিশৰ স্বাক্ষৰ প্ৰতিফলিত হওঁক। ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী আৰু শৈক্ষিক দিশৰ লগত জড়িত ব্যক্তি বিশেষৰ মাজত পাৰস্পৰিক সমন্বয় আৰু বিনিময়ৰ এনাজৰীডাল অধিক সুদৃঢ় কৰাত আলোচনীখনে বিশেষ ভূমিকা গ্ৰহণ কৰক। এই শুভকামনাৰে-

জয়তু বিকালী মহাবিদ্যালয়।

**ড° মলিনা দেৱী ৰাভা**
অধ্যক্ষা
বিকালী মহাবিদ্যালয়, ধূপধৰা

৬ জানুৱাৰী,২০১২



# সম্পাদকীয়



*সম্পাদকীয় প্ৰতিবেদনৰ পাতনিতে যিসকল ব্যক্তিৰ চিন্তা-চৰ্চা, কঠোৰ শাৰিৰীক শ্ৰম, যাৰ অন্তৰালত সামাজিক দায়িত্ববোধ জীৱনৰ শীৰ্ষত থুপ খাই আছিল - সেইসকল মহানুভৱ ব্যক্তিৰ ত্যাগ আৰু কষ্টক আমি প্ৰণিপাত জনাইছোঁ। যাৰ অনুপ্ৰেৰণাত বিকালী মহাবিদ্যালয়ত শিক্ষা ব্যৱস্থাৰ সুচনা হ'ল তেওঁলোকলৈ যাচিলোঁ শ্ৰদ্ধাঞ্জলি। লগতে যিসকল শ্বহীদে দেশৰ হকে যুঁজ দি প্ৰাণ আহুতি দিলে তেওঁলোকৰ আত্মাৰ চিৰ শান্তিৰ বাবে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।*

*সাহিত্যই জাতিৰ ছবি প্ৰতিফলিত কৰে কাৰণেই সাহিত্যক জাতিৰ দাপোন বুলি কোৱা হয়। যি জাতিৰ সাহিত্য যিমান টনকিয়াল সেই জাতি সিমান আগবঢ়া। জাতীয় জীৱনৰ ঘাই শিপাডাল সাহিত্যই সুদৃঢ় ভাবে ধৰি ৰাখে। গতিকে এচাম সুস্থ মানসিকতাৰ লিখকে জাতিৰ সংস্কৃতি, ঐতিহ্য তথা জাতীয় সত্ত্বাৰ ধ্বজা বহন কৰিবলৈ হ'লে সেইচাম লিখক অবধাৰিত ভাবে আৱহাৱৰ প্ৰতিভূ হ'ব লাগিব। মহাবিদ্যালয় সমূহক নিশ্চয়কৈ তেনে কাৰ্যৰ বাবে কঠিয়াতলী ৰূপে গণ্য কৰিব পাৰি। উঠি অহা ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ মনত অংকুৰিত ভাবধাৰক সজাই-পৰাই যাতে সাহিত্যৰ মাজেৰে প্ৰতিফলিত কৰিব পাৰে। সেই উদ্দেশ্য সৰোগত কৰিয়েই বিকালী মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ পৰিৰেশ এটি গঢ়ি তুলিবলৈ যত্ন কৰা হৈছে। আমাৰ সৌভাগ্য যে মহাবিদ্যালয়খন বাৰ্ষিক মুখপত্ৰ 'বিকালিয়ান'ৰ নিয়মীয়া প্ৰকাশ এনে প্ৰচেষ্টাৰ অংশ স্বৰূপ। অকল সেইয়াই নহয় মহাবিদ্যালয়ৰ বিভিন্ন উৎসৱ, অনুষ্ঠান আদিত নিয়মীয়াকৈ প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশৰ মঞ্চ এখনি তৈয়াৰ কৰা হৈছে। আমাৰ মহাবিদ্যালয়ৰ ৰাভা আৰু বড়ো সাহিত্য চ'ৰা নামৰ সুকীয়া অনুষ্ঠান দুটিৰ স্বকীয় সংস্কৃতি, সাহিত্য আৰু ঐতিহ্যৰ উৎকৰ্ষ সাধান ৰ প্ৰচেষ্টা বৰ প্ৰশংসনীয়।*

*প্ৰত্যেক জাতিৰেই নিজস্ব ভাষা আছে আৰু সেই ভাষাৰ মাধ্যমত জাতিৰ সাহিত্য গঢ়ি উঠি। ভাষা বৃক্ষৰ সাহিত্য সৌৰভময় পুষ্প স্বৰূপ। জাতীয় সাহিত্য জাতিৰ আশা-আকাংখা আনন্দ-বেদনা আৰু তাৰ কল্পনাৰ প্ৰকাশৰ থল। সাহিত্যৰ যোগেদি জাতিৰ মানসিক বিকাশ, সৌন্দৰ্যবোধৰ ধাৰা লক্ষ্য কৰা যায় আৰু অতীত, বৰ্তমানৰ পৰিচয় আৰু ভৱিষ্যত জীৱনৰ সম্ভাৱনৰ ইংগিতো পোৱা যায়। কোনো জাতিৰ শিক্ষা-দীক্ষা, কলা-সংস্কৃতি আৰু সমাজৰ প্ৰকৃত পৰিচয় লাভ কৰিবলৈ সেই জাতিৰ সাহিত্য অধ্যয়ন অপৰিহাৰ্য।*

*সাহিত্য মানৱ জীৱনৰ অভিজ্ঞতা পুষ্ট ভাবৰ বহিঃ প্ৰকাশ। ভাষা ইয়াৰ মাধ্যম। অনুভূতি প্ৰবন মানুহে পৰিদৃশ্যমান পৃথিৱীৰ প্ৰতিনিয়ত বুকুত লৈ ফুৰে ভাবৰ উদ্যান। সমাজ জীৱন আৰু ব্যক্তিগত জীৱনৰ হাঁহি-কান্দোন, আনন্দ - বেদনা , আশা-নিৰাশা, নীতি দুৰ্নীতি, অত্যাচাৰ-অনাচাৰ, শোষণ-নিষ্পেষণ, সংঘাত-সংঘৰ্ষ সমূহে যেতিয়া সৃষ্টিশীল মানুহৰ হৃদয়ৰ নিভৃত কোনত তোলপাৰ লগায়, তেতিয়া সেই অনুভূতিয়ে*

বৰ্ণ, শব্দ, বাক্যৰে মূৰ্ত হৈ কলমৰ আগত প্ৰকাশৰ বাট বিচাৰি ফুৰে। আমাৰ বৈচিত্ৰ্যময় ভৌগোলিক পৰিৱেশ জাতি-উপজাতিৰে সমৃদ্ধ সমাজ সংস্কৃতিয়ে সৃষ্টিশীল লোকসাহিত্য সৃষ্টিৰ অৰিহণা যোগাই আহিছে। সেয়ে হ'লেও বৰ্তমান ৰাজনৈতিক শোষন-নিষ্পেষণ , বিভিন্ন গোষ্ঠী সংঘৰ্ষ, সাম্প্ৰদায়িকতাবাদ, বৰ্ণবাদী চিন্তাধাৰা, ইজনে সিজনক কৰা মানসিক নিৰ্যাতন, সমাজৰ অনেক লোকৰ উশৃংখলতা আৰু নাৰী নিৰ্যাতন আদি সাম্প্ৰতিক পৰিস্থিতিয়ে সমাজখনক মানৱতাৰ বধ্যভূমিলৈ ৰূপান্তৰিত কৰিছে আৰু মৌখিক সাহিত্যৰ যুগৰ পৰা বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ চৰম উন্নতিৰ সময়লৈকে লেখক-লেখিকাসকলে সাহিত্য-সংস্কৃতিৰ পথাৰত নিৰলস সাধনাৰে ব্যক্তি আৰু সমাজ জীৱনৰ অভিজ্ঞতাৰে সাহিত্য সাধনা কৰি আহিছে। সেয়েহে সৃষ্টিশীল লোকক কোৱা হয় স্ৰষ্টা, দ্ৰষ্টা। সাহিত্য হৈ পৰে সমাজৰ দাপোন, যি দাপোনে বহন কৰে সমাজৰ প্ৰতিচ্ছৱি।

আলোচনী এখন প্ৰকাশ কৰি উলিয়াবৰ বাবে উৎকৃষ্ট লিখনিৰ প্ৰয়োজন হয়। আমাৰ বিকালী মাহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰা আমি উন্নত লিখনিৰ অভাৱ অনুভৱ কৰিছোঁ। গতিকে মহাবিদ্যালয়ৰ এই অভাৱ আগলৈ দুৰ কৰি ছাত্ৰ-ছাত্ৰীসকলে যেন উৎকৃষ্ট মানদণ্ডৰ লিখনিৰে আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

আলোচনী এখনত শিক্ষানুষ্ঠানৰ বাস্তৱ চিত্ৰ, চিন্তা-চেতনা আৰু জ্ঞানৰ প্ৰতিফলিত ঘটে। পিছে এশ-এবুৰি ভুল ত্ৰুটিৰে সেই উদ্দেশ্য সফল কৰিব পাৰিছো নে নাই তাৰ বাবে সন্দিহান হৈ পৰিছো। তথাপি মৰসাহ কৰি আলোচনীখন প্ৰকাশৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। আমাৰ ভুল-ত্ৰুটিসমূহ পাঠক সমাজে গঠনমূলক সমালোচনাৰে আঙুলিয়াই দিলে পৰৱৰ্তী প্ৰকাশ অধিক সুন্দৰ কৰিবলৈ অনুপ্ৰাণিত হ'ম।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সততে দিহা-পৰামৰ্শ আৰু সম্পাদনা কাৰ্যত সহায় কৰা তত্ত্বাৱধায়ক মাননীয় শ্ৰীযুত ভূপতি দাস ছাৰৰ লগতে উপদেষ্টা ড° এম. গোপাল সিংহ ছাৰক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ। সদৌ শেষত আমাৰ অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি বিকলী মহাবিদ্যায়লৰ দীৰ্ঘায়ু কামনা কৰি ইতি ৰেখা টানিলো।

জয়তু বিকালিয়ান
জয়তু বিকালী মহাবিদ্যালয়

বিনম্ৰতাৰে -
গীতুমণি দাস
চাদ্দাম হুছেইন
যুটীয়া সম্পাদক, বিকালিয়ান

# সম্পাদনা সমিতিৰ অনুভৱত বিকালিয়ান

বিজ্ঞান আৰু প্ৰযুক্তিৰ চমক প্ৰদ আৱিস্কাৰে মানৱ জীৱনলৈ ন-ন প্ৰতিশ্ৰুতি কঢ়িয়াই আনিছে। প্ৰযুক্তি বিজ্ঞানৰ আশাতীত সাফল্যই আমাক উপহাৰ দিছে বিলাসী আৰু স্বাচ্ছন্দ জীৱন-যাপনৰ সুন্দৰী পথ। কিন্তু কেৱল প্ৰযুক্তিৰ আশীৰ্বাদপুষ্ট হৈ পৰিচালিত জীৱন এতিয়া হৈ পৰিছে যান্ত্ৰিক অৰ্থহীন হৃদয়হীন আৰু কৰ্মবিমুখ সংস্কৃতিৰে পৰিপূৰ্ণ। আমাৰ পুৰাতন সংস্কৃতি ঐতিহ্য আৰু অনুভৱী হৃদয়লৈ ই কঢ়িয়াই আনিছে ন-ন প্ৰত্যাহ্বান। আজি সমগ্ৰ মানৱ জাতি হৈ পৰিছে অসহায়, পঙ্গু আৰু স্বাৰ্থান্ধ। অন্ধকাৰ ভৱিষ্যতলৈ যেন ঢাবিত হৈছে আমাৰ কৰ্ম প্ৰেৰণা আৰু আশা-আকাঙ্খা । ইয়াৰ ফলত প্ৰচুৰ্য্যতাৰ মাজতো আমি যেন অসুখী, চৌদিশ কেৱল হাহাকাৰ আৰু হাহাকাৰ। আমি ক্লান্ত, সীমাহীন দুৰ্যোগৰ মায়পাশত আবদ্ধ যেন - এক প্ৰকাণ্ড অক্টোপাছে চৌদিশৰ পৰা আমাৰ হ্ৰাস কৰিবলৈ ধৰিছে।

এক অস্থিৰ অৰ্থহীন আৰু প্ৰাণ স্পন্দনহীন জীৱন শৈলীয়ে আমাৰ যুৱক-যুৱতীসকলকো হাতবাউল দি মাতি আছে। অদূৰত ৰৈ থকা অতীতলৈ ঘুৰি চোৱাৰ তেওঁলোকৰ আহৰি নাই। তেওঁলোক এক বিৰাট শূণ্য। যুৱক-যুৱতীসকল দেশৰ ধৰণী স্বৰূপ। তেওঁলোকক লৈ দেশ আৰু জাতিৰ অযুত সপোন। দেশে বহুত আশাৰে বাট চাই আছে এইচাম যুৱক-যুৱতীৰ সমস্ত কৰ্ম প্ৰেৰণা দেশ নিৰ্মাণৰ কামত অৰ্পিত হওঁক। ত্যাগ, স্বাৰ্থহীনতা, মানবতাবোধ, ভাতৃত্ববোধৰ উজ্জ্বলিত বন্তি শিখাই উদ্ভাসিত কৰক আমাৰ এই চাম যুৱক-যুৱতীৰ প্ৰাণ।

আমি আশাকৰো যুৱক-যুৱতীসকলৰ সৃষ্টিশীল প্ৰেৰণাই উত্তোলিত কৰক এটি শক্তিশালী জাতিৰ বিজয় নিচান। তেওঁলোকে সৃষ্টিৰ সোণৱালী পথাৰত অংকুৰণ কৰক মানবতাৰ বীজ। সেই আশাৰে বিকালী মহাবিদ্যালয়ৰ মুখপত্ৰ 'বিকালিয়ান' নিয়মীয়াভাৱে প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। আমি আশাকৰোঁ জীৱন, সমাজ আৰু জাতিক ভালপোৱাৰ আশা-আকাঙ্খা সমূহ তেওঁলোকৰ লিখনিত পৰিস্ফুত হওঁক। ইয়ে বৌদ্ধিক উত্তৰণৰ পথ সুগম কৰে, ব্যক্তিত্বক পৰিপূৰ্ণৰূপত গঢ়ি তোলে। কিন্তু বাৰে বাৰে আমাৰ আশাত চেচা পানী পৰিবলৈ ধৰিছে।

অইন অইন বছৰৰ দৰে এইবেলিও আমি আশা কৰিছিলোঁ সুন্দৰ লিখনিৰে 'বিকালিয়ান'ৰ পৃষ্ঠা শুৱনী হৈ পৰক। কিন্তু তেওঁলোকৰ কাপৰ পৰা নিগৰি অহা লিখনি সমূহ দেখি আমি বাৰুকৈয়ে মৰ্মাহত হৈছোঁ। আমি বাৰে বাৰে উজুটি খাই পৰিছো সৃষ্টিৰ খলা-বমা পথৰ এই দুৰাৱস্থা দেখি। লিখিনিৰ মানদণ্ড দেখি আমি বৰ সচকিত হৈ পৰিছোঁ।

সাহিত্য হ'ল এটি জাতিৰ দাপোন স্বৰূপ। এটি সংস্কৃতিবান জাতিৰ আশা-আকাঙ্খা সাহিত্যৰ মাজেদি প্ৰকাশ পায়। সমসাময়িক ঘটনাপঞ্জী, বিজ্ঞান প্ৰযুক্তিৰ চমকপ্ৰদ আৱিস্কাৰ, সমাজত দেখা দিয়া দূৰ্নীতি, ৰাজনৈতিক ভ্ৰষ্টাচাৰ, দলীয় সংঘৰ্ষ, শোষণ নিস্পেষণ, বিচ্ছিন্নতাবাদ আদি প্ৰত্যাহ্বান সমূহ লিখনিৰ মাজত

সাৰলীল গতিত প্ৰকাশ পাব বুলি আমি বৰ আশা কৰিছিলোঁ। কিন্তু বাস্তৱত সেয়া হৈ নুঠিল। ইয়াৰ কাৰণ হ'ল অধ্যয়ন বিমুখতা, বিষয়বস্তুৰ নিৰ্বাচনৰ অক্ষমতা আৰু নিয়মীয়া চৰ্চাৰ অভাৱ। অতি নগণ্য সংখ্য ছাত্ৰ-ছাত্ৰীৰ লিখনিতহে বাস্তৱ সত্যৰ উপলব্ধি কিছু পৰিস্ফুত হৈছে যদিও বুজন সংখ্যক লিখনিৰ মানদণ্ড বৰ দুখ লগা। দুই এজনৰ লিখনিত বক্তব্য প্ৰকাশৰ চেষ্টা কৰা হৈছে যদিও ভাষাৰ লালিত্য আৰু সৌন্দৰ্য্য বৰ দুখ লগা। ইয়াৰ বাবে সম্পাদনাৰ কামত বৰ জটিলতাই দেখা দিছিল। তথাপি আমি তেওঁলোকক নিৰাশ নকৰি যথাসম্ভৱ সম্পাদনাৰে লিখনিসমূহ প্ৰকাশৰ ব্যৱস্থা কৰিছোঁ। আমাৰ উদ্দেশ্য হ'ল যুৱক-যুৱতীসকলৰ মাজত এক সুস্থিৰ লিখাৰ বাতাবৰণ গঢ়ি তোলাৰ। আমাৰ এই উদ্দেশ্য হৃদয়ঙ্গম কৰি পৰৱৰ্তি কালত অধিক উন্নত আৰু মান বিশিষ্ট লিখনিৰ বাবে ছাত্ৰ-ছাত্ৰীসকল এতিয়াৰ পৰাই প্ৰতিজ্ঞাবদ্ধ হওঁক। ইংৰাজী নৱবৰ্ষৰ শুভক্ষণত এয়াই হওঁক আমাৰ সকলোৰে আশা। তাৰে কামনাৰে...

সম্পাদনা সমিতিৰ হৈ-

**ভূপতি দাস**

তত্বাবধায়ক, বিকালিয়ান

# বিকালিয়ানৰ শীৰ্ষ পৃষ্ঠা শুৱনী কৰা ৰুণুমী দাসলৈ হিয়াভৰা অভিনন্দন



পূৰ্ণ যৌৱনা বিকালীৰ অলেখ সপোন। ফুলে ফলে জাতিষ্কাৰ হৈ গৌৰবোজ্বল ৩২ টা বসন্ত অতিক্ৰম কৰা বিকালীৰ সপোন যেতিয়া কোনো কৃতীমানে পূৰণ কৰে তেতিয়া সকলোৰে আনন্দত উথলি উঠে।

বিকালী কলেজ আৰু এই অঞ্চলবাসী ৰাইজ প্ৰাণ স্পন্দিত হৈ উঠিছিল তেতিয়া, যেতিয়া ৰুকুনুদ্দিনে পোন প্ৰথমবাৰৰ বাবে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত শীষৰ্ব দশম স্থান লাভ কৰি অঞ্চলবাসীক দিছিল এটি বহু আকাংখিত উপহাৰ। এনে আনন্দ উল্লাস মাৰ নৌহওতেই পুনৰ বিকালিয়ানৰ শীৰ্ষ পৃষ্ঠা শুৱনি কৰিলে ৰুণুমীৰ শীৰ্ষ স্থানৰ বতৰাই।

ৰুণুমী, দেখিবলৈ অকণমাণি; অথচ তাইৰ জ্ঞান-বুদ্ধিৰ প্ৰখৰতা দেখিলেই বৰ গৌৰৱবোধ কৰো। জ্ঞানান্বেষণ আৰু অধ্যাবসায়ৰ নিৰলস সাধনাত ব্ৰতী হৈ সাফল্যৰ শীৰ্ষস্থান লাভ কৰি নিজে ধন্য হোৱাৰ লগতে বিকালী মহাবিদ্যালয় আৰু অঞ্চলবাসী ৰাইজক গৌৰবান্বিত কৰিলে। ইয়াৰ লগে লগে কৃতিত্বৰ শীৰ্ষস্থানৰ তালিকাত সংযোগ হ'ল এগৰাকী প্ৰতিভাবান ছাত্ৰী - নাম যাৰ ৰুণুমী দাস। ইংৰাজী, অসমীয়া, অৰ্থবিজ্ঞান, শিক্ষা আৰু ভূগোল বিষয়ত লেটাৰ নম্বৰ লাভ কৰি ৰুণুমীয়ে দশম স্থান লাভ কৰি কৃতিত্বৰ সপোন পূৰণ কৰিলে।

আমি এই কৃতিমান সকলক লৈ বৰ গৌৰবান্বিত আৰু আশাবাদী। এই অঞ্চলৰ ৰাইজ, শিক্ষা প্ৰেমীসকলে বৰ আশাৰে বাট চাই আছে ৰুণুমী হঁতৰ দৰে কৃতীমানৰ জেউতিৰে উদ্ভাসিত হওঁত অনগ্ৰসৰ বিকালী অঞ্চল। তেওঁলোকৰ কৃতিত্বৰ কিৰণ আভাৰে উদ্ভাসিত হওঁক প্ৰতিগৰাকী উদীয়মান যুৱক-যুৱতী।

প্ৰীতি ভৰা শুভেচ্ছা আৰু হিয়াভৰা অভিনন্দনেৰে।

সম্পাদন সমিতি
বিকালিয়ান

# সূচীপত্ৰ


| প্ৰবন্ধ | | পৃষ্ঠা |
|---|---|---|
| আধুনিক প্ৰেম, যুৱ প্ৰজন্ম আৰু গণমাধ্যম | ৰুকুনুদ্দিন আহমেদ | ১ |
| ছাত্ৰ সমাজত উচ্ছৃংখলতা | ৰুণুমী দাস | ৬ |
| অসমীয়া ৰহস্যবাদী কবিতাঃ দুগকাৰী মহিলা কবিৰ ৰচনাৰাজিৰ আধাৰত | চয়নিকা কলিতা | ৮ |
| ইছলামিক বিবাহ পদ্ধতি- 'নিকাহ' | নাৰায়ণ সূত্ৰধৰ | ১১ |
| সোণোৱালী আঘোণ | জ্ঞানদীপ নাথ | ১৩ |
| মামনি ছয়ছম গোস্বামীৰ উপন্যাস দঁতাল হাতীৰ উয়ে খোৱা হাওদাৰ বিধবা নাৰীৰ চৰিত্ৰ বিশ্লেষণ | আৰমিনা বেগম | ১৪ |
| যুৱ অপৰাধ প্ৰৱণতাৰ কাৰণ আৰু ইয়াৰ প্ৰতিকাৰৰ উপায় | ভৃগু কুমাৰ দাস | ১৭ |
| আইতাৰ সতে উমলা দিনবোৰ | উদয় ৰয় | ১৯ |
| সাম্প্ৰতিক সময়ত শিক্ষাৰ সংকট | তুলিকা দাস | ২১ |
| অসমীয় তিৰোতাৰ সাজ | দেবায়ন বোস (বসু) | ২৪ |
| অসমীয়া লোকজীৱনত কল আৰু কলগছ | গীতুমণি দাস | ২৬ |
| যুৱক-যুৱতী আৰু সমাজ | দীপাঞ্জলি ৰাভা | ২৮ |
| গছ আমাৰ প্ৰকৃত বন্ধু | ধন্য দেৱী বসুমতাৰী | ৩০ |
| Modern Technology, Disaster The Future of Hunanity | Prasanta Pathak | ৩২ |
| Ethics of value based education | Swarna Lata Das | ৩৬ |
| बिकाली फरायसालीमानि बर' थुनलाइ आफादनि गोनांथि | *थरायना चिमाम्नी दैमारी* | ৩৯ |
| **গল্প** | | |
| ভোগালী | সুৰভী ৰাভা | ৪১ |
| জীৱনৰ বিচিত্ৰ ছবি | পুৰবী সৰকাৰ | ৪৪ |
| লক্ষ্য | মুনিন দৈমাৰী | ৪৯ |
| আধুনিক | হীৰক জ্যোতি বসুমতাৰী | ৫৩ |

| | | |
|---|---|---|
| উকা | শ্যামল প্ৰামণিক | ৫৫ |
| টোকোৰা আৰু বাতি চৰাই | ধনমণি ৰাভা | ৫৬ |
| উনদাহা | *रनेन स्वरगियरी* | ৫৮ |
| কবিতা | | |
| সুধাকণ্ঠৰ এখন মহীৰূহ কেনভাচ | ৰিমঝিম কলিতা | ৬৩ |
| মই আৰু উভতি নগ'লো | জ্যোতিৰূপা দৈমাৰী | ৬৪ |
| কিছু শব্দ, কিছু গান হিংসাৰ বিৰুদ্ধে | অনুৰূপা দাস | ৬৫ |
| মোৰ হৃদয়ত তোমাৰ পদূলি | মিতালী ৰাভা | ৬৬ |
| ইপাৰৰ ঢৌ | কুশল বড়ো | ৬৭ |
| শেষৰ পিছত | ভায়োলিনা চৌধুৰী | ৬৮ |
| প্ৰাচীৰ পত্ৰিকা | জাহ্নৱী দাস | ৬৮ |
| জীৱনৰ আবেলি | মাধব দাস | ৬৯ |
| কোন তুমি মনালিছা | জিৎ শঙ্কৰ পাটোৱাৰী | ৬৯ |
| ব'হাগৰ এটি নিশ | শান্তনা ৰাভা | ৭০ |
| মোৰ প্ৰিয়া | যুগব্ৰতা চৌধুৰী | ৭০ |
| শিক্ষা | হিমানী ৰাভা | ৭১ |
| অস্তিত্ব | মায়াৰাণী বিশ্বাস | ৭১ |
| শৰৎ তুমি অনন্যা | আখতাৰা বেগম | ৭২ |
| পলাশ নহবা তুমি | সঞ্জিৎ মজুমদাৰ | ৭২ |
| এপলক ৰ'বদে | মানৱ ৰিচাং | ৭৩ |
| অভিমানী সুন্দৰ নিজৰা | ভূমিধৰ ৰাভা | ৭৩ |
| সম্পাদকীয় প্ৰতিবেদন | | ৭৪-৭৯ |
| যিসকল কৃতীমান ছাত্ৰ-ছাত্ৰীয়ে বিকালী লৈ গৌৰৱ কঢ়িয়াই আনিলে | | ৮০-৮২ |
| বিগত বৰ্ষৰ মহাবিদ্যালয়ৰ কেইটিমান মধুৰতম মুহূৰ্ত | | ৮৩-৮৪ |
| মহাবিদ্যালয় সপ্তাহৰ ফলাফল | | ৮৫-৮৮ |

# আধুনিক প্ৰেম,যুৱ প্ৰজন্ম আৰু গণমাধ্যম

মোঃ ৰুকুনুদ্দিন আহমেদ
স্নাতক তৃতীয় বৰ্ষ (অসমীয়া বিভাগ)

আধুনিক যুগ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। বিজ্ঞানৰ নিত্য-নতুন উদ্ভাৱন তথা তথ্য-প্ৰযুক্তিৰ ক্ৰমাগত উন্নতিয়ে বৰ্তমান সভ্যতা-সংস্কৃতিক যান্ত্ৰিক -সভ্যতালৈ ৰূপান্তৰ কৰিছে। বিজ্ঞান -প্ৰযুক্তিবিদ্যাৰ বাস্তৱতাই যিদৰে মানৱ জীৱনৰ প্ৰায় সকলো দিশতে গভীৰ প্ৰভাৱ পেলাইছে, সেইদৰে এই যান্ত্ৰিক সভ্যতাই বিভিন্ন গণমাধ্যমৰ সৃষ্টিৰ জৰিয়তে বিচিত্ৰ মানৱীয় সম্পৰ্কবোৰক সংযুক্ত কৰি ৰখাৰ ক্ষেত্ৰতো অপূৰণীয় অৱদান আগবঢ়াইছে। টেলিভিছন, চিনেমা, মবাইলফোন, ইণ্টাৰনেট আদি গণমাধ্যমসূহে বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰা বিশ্ব-জগতৰ বিভিন্ন সম্পৰ্কৰ ভিতৰত অন্যতম হৈছে প্ৰেমৰ সম্পৰ্ক। প্ৰেম শব্দটো দ্ব্যৰ্থক। সংকীৰ্ণ আৰু ব্যাপক উভয় অৰ্থতে ইয়াৰ প্ৰয়োগ হ'লেও সচৰাচৰ প্ৰেম বুলিলে ইয়াৰ সংকীৰ্ণ অৰ্থকহে বুজা যায়। সীমিত অৰ্থত এজন ব্যক্তিয়ে আন এজন ব্যক্তিৰ প্ৰতি অনুভৱ কৰা দৈহিক আৰু মানসিক আকৰ্ষণ বা আবেদনেই প্ৰেম। উল্লেখযোগ্য যে আমাৰ এই আলোচনাত প্ৰেমৰ তথাকথিত সাধাৰণ অৰ্থকে গ্ৰহণ কৰা হ'ব।

দূত, কটকী বা বাৰ্তাবাহক আৰু চিঠি-পত্ৰ আদিৰ পৰা ক্ৰমৱিৱৰ্তিত অত্যাধুনিক ৰূপ লাভ কৰা গণমাধ্যমসমূহে মানৱ সমাজক বহুলভাৱে উপকৃত কৰিছে। কেৱল সংবাদৰ আদান-প্ৰদানৰ দায়িত্ব পালনতে ক্ষান্ত নাথাকি গণমাধ্যমসমূহে যোগাযোগ ৰক্ষা আৰু মনোৰঞ্জন প্ৰদানৰ যোগেদি তথ্য প্ৰযুক্তিৰ উৎকৃষ্ট উপকৰণ হিচাপে পৰিগণিত হৈছে। কৰ্ম-ব্যস্ততাপূৰ্ণ আৰু যন্ত্ৰবহুল আধুনিক যুগত গণমাধ্যমে দূৰত্বৰ বাধা নেওচি আত্মীয় স্বজন, বন্ধু-বান্ধৱী আদিৰ সৈতে সম্পৰ্ক অটুট ৰখাৰ ক্ষেত্ৰত যি বৰঙণি যোগাইছে, সেয়া বৰ্ণনাতীত। কিন্তু, এই কথা অনস্বীকাৰ্য যে প্ৰত্যেক বস্তু বা বিষয়ৰ দৰে গণমাধ্যম সমূহেও আমাৰ ওপৰত ভাল আৰু বেয়া উভয় ফালৰ পৰা প্ৰভাৱ পেলাইছে।

> *গণমাধ্যমৰ অপপ্ৰয়োগৰ পৰিনাম যে ক্ষতিকাৰক সেই কথা এতিয়া সকলোৰে জনাজাত। গতিকে সমাজ জীৱনত অপসংস্কৃতিৰ সূচনা আৰু বিস্তাৰ কৰাৰ বাবে গণমাধ্যম নিজে যিমান দায়ী, তাতোকৈ অধিক দায়ী আমি প্ৰয়োগকাৰীসকলহে।*

বৰ্তমান সময়ত গণমাধ্যমকে ধৰি

আনুষংগিক কাৰক কিছুমানৰ প্ৰভাৱত প্ৰেমৰ স্বৰূপ আৰু প্ৰেমিক-প্ৰেমিকাৰ সম্পৰ্ক কিছুপৰিমানে সলনি হৈছে। উদাহৰণ স্বৰূপে এসময়ত প্ৰেমিক-প্ৰেমিকাৰ মিলনৰ ক্ষেত্ৰত দূতী বা সখীয়েকে বিশেষ ভূমিকা পালন কৰিছিল ; কিন্তু সম্প্ৰতি মোবাইল ফোনে সেই ভূমিকা পালন কৰে। বাৰ্তা প্ৰেৰণৰ ক্ষেত্ৰতো একেই কথা। প্ৰিয়জনৰ সৈতে কথা-বতৰা পতাৰ ক্ষেত্ৰত বা প্ৰেমাস্পদৰ দৰ্শন লাভৰ বাবে আগৰ কালৰ নায়ক-নায়িকাই কৃচ্ছসাধনৰ যোগেদি যি অনিৰ্বচনীয় প্ৰশান্তি লাভ কৰিছিল, সেয়া আজিকালিৰ যুগত প্ৰায় বিলুপ্ত। বিজ্ঞানৰ জয়যাত্ৰাৰ সময়ত এনেবোৰ কাৰ্য ইণ্টানেটৰ নিচিনা গণমাধ্যমে সমাধা কৰে। ফলস্বৰূপে আধুনিক প্ৰেমিক-প্ৰেমিকাই অনুভৱ কৰিব নোৱাৰে সেই বিশেষ আনন্দ, যি আনন্দক তথাকথিত পুৰণিচামে প্ৰিয় মিলনৰ অন্তত যুদ্ধ জয় বা অভিযান কৰাৰ সমানে বুলি ধাৰণা কৰিছিল। উন্নত বৈজ্ঞানিক উপকৰণে স্থানৰ দূৰত্ব আৰু সময়-সুযোগৰ বাধাৰ নিচিনা প্ৰাচীৰ ভাঙি দিয়া হেতুকে আধুনিক প্ৰেমিক-প্ৰেমিকা বঞ্চিত হ'বলগীয়া হ'ল কেতবোৰ ৰোমাঞ্চকৰ উপলব্ধিৰ পৰা।

সচৰাচৰ উচ্চাৰিত, আলোচিত আৰু সকলোৰে সহজ বোধগম্য প্ৰেমৰ সম্পৰ্কৰ ক্ষেত্ৰত সৰ্বাধিক ব্যৱহৃত মাধ্যমটি হৈছে ম'বাইল ফোন। প্ৰেমজনিত সম্পৰ্ক স্থাপন, মধ্যস্থতাকাৰী হিচাপে কাৰ্যসম্পাদন আদিত ম'বাইল ফোনে ইতিবাচক সহাঁৰি দিলেও ভুল বুজাবুজি, মতানৈক্য সৃষ্টিকে ধৰি বিভিন্ন সমস্যাৰ সূত্ৰপাত ঘটাই নেতিবাচক প্ৰভাবো নেপেলোৱা নহয়। তদুপৰি কিছুমানে ফোনত অলাগতিয়াল কথা পাতি, অনৰ্থক ব্যস্ততা দেখুওৱাৰ দ্বাৰা পৰস্পৰৰ লগতে আনৰো বহুমূলীয়া সময় নষ্ট কৰে। বহুসময় কথা পতাৰ ফলত শ্ৰৱণ ক্ষমতা হ্ৰাস পায়, মানসিক অস্থিৰতাই দেখা দিয়ে। প্ৰেম-বিষয়ক সম্পৰ্কত ম'বাইলফোনৰ আন কেইটামান কু-প্ৰভাৱ উনুকিওৱা হ'লঃ-

(ক) কিছুসংখ্যক যুৱক-যুৱতীয়ে অহেতুক ব্যস্ততা আৰু অস্তিত্বহীন প্ৰভাৱশালীতা প্ৰদৰ্শনৰ বাবে বিভিন্ন জনৰ পৰা প্ৰত্যক্ষ বা পৰোক্ষভাৱে মোবাইল নম্বৰ সংগ্ৰহ কৰে আৰু একাধিক ব্যক্তিৰ সৈতে প্ৰেমৰ সম্পৰ্ক গঢ়ি তোলে।

(খ) ম'বাইল ফোনযোগে বহুকেইজনৰ সৈতে প্ৰেমৰ অভিনয় কৰা এনে লোকে নিজৰ পাতল তথা বিকৃত মানসিকতাৰ পৰিচয় দিয়াৰ লগতে সন্মুখৰ ব্যক্তিজনৰ জীৱনলৈও চৰম অনিশ্চয়তা কঢ়িয়াই আনে।

(গ) প্ৰেমৰ দৰে পবিত্ৰ সম্পৰ্কক খেল বা সময় কটোৱাৰ আহিলা হিচাপে ভবা যুৱক-যুৱতীসকলে একপক্ষীয় ভাৱে নিজৰ ভণ্ডামি অব্যাহত ৰাখে। তেওঁলোকে এই কথাৰ প্ৰতি মন-কাণ নিদিয়ে যে বিপৰীত পক্ষৰ ব্যক্তিয়ে প্ৰেমৰ সম্পৰ্কক বহুখিনি গুৰুত্ব সহকাৰে গ্ৰহণ কৰিব পাৰে।

(ঘ) ভুৱা-প্ৰেমিক -প্ৰেমিকাই আধুনিকতাৰ নামত গণমাধ্যমৰ আশ্ৰয় লৈ অশ্লীল ছৱি প্ৰেৰণ, ৰুচি বিগৰ্হিত বাৰ্তা (SMS) প্ৰদান, ব্লেকমেইলিঙ্ আদিৰ দৰে অপকৰ্মত লিপ্ত হয়। এই সকলোবোৰে উভয় পক্ষৰ নৈতিক চৰিত্ৰ আৰু মানসিকতকাত বেয়া প্ৰভাৱ পেলায়।

(ঙ) ম'বাইল ফোনৰ জৰিয়তে সম্পাদন কৰা কাৰ্য-কলাপে প্ৰেমিক- প্ৰেমিকাৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি কৰে। ফোন ৰিছিভ নকৰিলে প্ৰচণ্ড গালি-গালাজ পৰা বা মানসিক আঘাত প্ৰদানকাৰী SMS পঠোৱা আদিয়ে এনেধৰণৰ সম্পকক অৱনতিৰ গ্ৰাসলৈ ঠেলি নিয়ে।

(চ) বহুসময়ত দেখা যায় যে গণমাধ্যমৰ যোগাযোগে প্ৰেমৰ সম্পৰ্কক প্ৰতিদানকাংক্ষী কৰি তোলে। যেনে - নিৰ্দিষ্ট সময়ৰ ব্যৱধানত ফোন নকৰিলে, SMS ৰ প্ৰত্যুত্তৰ নিদিলে বিপৰীত পক্ষই সময় সুযোগৰ কথা নাভাবি টানকৈ কথা কয়। ফলত প্ৰেম হৈ পৰে চৰ্তসাপেক্ষ আৰু বিপৰ্যস্ত।

গণমাধ্যমৰ অন্যতম উপকৰণ চিনেমা, টেলিভিছন, ইণ্টাৰনেট আদিয়েও প্ৰেমৰ সম্পৰ্ক গঢ়ি

উঠাত অৰিহণা যোগায়। এইবোৰৰ ইতিবাচক আৰু নেতিবাচক উভয় ধৰণৰ প্ৰভাৱ থাকিলেও নেতিবাচক প্ৰভাবেই অত্যাধিক। চিনেমাই প্ৰেমৰ ক্ষেত্ৰত আকৰ্ষণ বা পূৰ্বৰাগৰ সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰেৰণাদায়ক প্ৰেমকাহিনী সম্বলিত চিনেমাই যুৱক-যুৱতীৰ মনত প্ৰেমৰ প্ৰকৃত স্বৰূপ উপলব্ধিৰ সক্ষমতা আনি দিয়ে। লগতে তেওঁলোকৰ মনত ত্যাগ-বলিদান, পৰোপকাৰ, একাত্মবোধ, স্বাৰ্থত্যাগ, চৰ্তবিহীন প্ৰেমৰ ধাৰণা আদি গঢ়ি তোলাৰ ক্ষেত্ৰত বহু সাহায্য কৰে; কাৰোবাক ভাল পালে যে তেওঁক লাভ কৰিবই লাগিব তেনে নহয়; 'সমাজৰ দ্বাৰা স্বীকৃত নহ'লেও যে প্ৰেম যুগমীয়া হৈ ৰ'ব পাৰে', বা ভাল লগা অৰ্থাৎ আকৰ্ষণ আৰু ভালপোৱা অৰ্থাৎ প্ৰেমৰ মাজত যে প্ৰভেদ আছে তেনে প্ৰমূল্য গঠনৰ ক্ষেত্ৰত চিনেমা আৰু টেলিভিছনত সম্প্ৰচাৰিত ধাৰাবাহিক আদিয়ে বিশেষভাৱে সহায়ক হয়। প্ৰেমসম্পৰ্কীয় সমাজৰ বদ্ধমূল ধাৰণা কিছুমান ; যেনে জাত-পাতৰ বিচাৰ, আৰ্থিক বৈষম্য বা পাৰিবাৰিক অসমতাৰ লগত জড়িত কথাৰ সাৰশূণ্যতা উদঙাই দিয়াতো গণমাধ্যমে পালন কৰা দায়িত্ব অৱশ্যে স্বীকাৰ্য।

কিন্তু এনেধৰণৰ ইতিবাচক দিশ থাকিলেও গণমাধ্যমৰ এই উপকৰণসমূহে যুৱক-যুৱতীৰ প্ৰেমানুকূল হৃদয়ত অসুস্থ বাতাবৰণৰো সৃষ্টি কৰে। বিশেষ অসুবিধা বা কাৰণৰ বশৱৰ্তী হৈ প্ৰেমিক বা প্ৰেমিকাৰ কোনো এজনে অইন ব্যক্তিৰ সৈতে সম্পৰ্ক গঢ়ি তোলে বা পৰিয়াল, সমাজৰ আনকি প্ৰিয়জনৰ মংগল কামনাৰে অন্য ব্যক্তিক জীৱনসংগী হিচাপে গ্ৰহণ কৰিবলগীয়া হয়। বহু আকাংক্ষিত আৰু দীৰ্ঘকালজোৰা প্ৰেমৰ পৰিণতি যদি এনে অনাকাংক্ষিত আৰু ক্ষণভংগৰ হৈ পৰে তেতিয়া প্ৰতিপক্ষৰ মন প্ৰতিশোধ পৰায়ণ হৈ উঠে। এনে পৰিস্থিতিত ভুক্তভোগীয়ে প্ৰণয়কালীন সকলো মধুৰ প্ৰেৰণাদায়ক স্মৃতি পাহৰি ভুল পথ বাছিলোৱা দেখা যায়। বাস্তৱ জীৱনত এনে নিদৰ্শন আছে, কিন্তু অধিকাংশ যুৱক-যুৱতীয়ে এনে প্ৰতিশোধপৰায়ন মনোভাৱ গঢ়ি তোলে গণমাধ্যমৰ অভিজ্ঞতাৰ আধাৰতহে। সেইদৰে ইণ্টাৰনেটৰ যোগেদি অচিনাকি ব্যক্তিৰ সৈতে প্ৰেম-প্ৰীতিৰ সম্পৰ্ক গঢ়ি তোলাৰ পৰিণতিও প্ৰায় কৰুণ হোৱা দেখা যায়। প্ৰতিশ্ৰুতি দি প্ৰতাৰণা কৰা, কথা-বতৰা শুনি আকৃষ্ট হোৱা ব্যক্তিজনক লগ পোৱাৰ পিছত মতামত বা দৃষ্টিভংগীৰ সলনি আদি এতিয়া নিত্য-নৈমিত্তিক ঘটনা।

প্ৰেমৰ দৰে স্বৰ্গীয় সম্পৰ্কক গণমাধ্যমসমূহে অধিক বিকৃত আৰু ক্ষতিগ্ৰস্ত কৰি তোলে-যৌনতাবহুল প্ৰসংগৰ উপস্থাপনেৰে। মনোৰঞ্জনৰ নামত টি.ভি. চেনেলসমূহে পৰিৱেশন কৰা অনুষ্ঠান বোৰৰ কিছুমান যৌনতাসৰ্বস্ব। কোনো কোনো সময়ত এই অনুষ্ঠানবোৰত প্ৰচাৰিত বা প্ৰদৰ্শিত যৌনতাৰ আধিক্য ইমানেই বেছি হয় যে প্ৰেমিক-প্ৰেমিকাই পাহৰি পেলায় যৌনতা প্ৰেমৰ এটা অংশহে, সম্পূৰ্ণ বস্তু নহয়। ফলস্বৰূপে আধুনিক যুৱক-যুৱতীৰ প্ৰেম হৈ পৰিছে জৈৱিক প্ৰয়োজন পূৰণৰ, কামনা চৰিতাৰ্থ কৰাৰ সস্তীয়া প্ৰেম; য'ত হৃদয়ৰ আবেদন, বিশ্বাস আৰু আন্তৰিকতাৰ কোনো মূল্য নাই।

আগতে উল্লেখ কৰি অহা হৈছে যে বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ নিত্য-নতুন উদ্ভাৱনে জীৱন আৰু জগতৰ সমগ্ৰ দিশতে ব্যাপক প্ৰভাৱ পেলাইছে। প্ৰেমজনিত সম্পৰ্কৰ ওপৰত গণমাধ্যমৰ দ্বিপাৰ্শ্বিক প্ৰভাৱ সম্পৰ্কে ইতিপূৰ্বে কিছু কথা উল্লেখ কৰা হৈছে। সেইদৰে বিজ্ঞানৰ অন্যতম অৱদান গণমাধ্যমসমূহে যুৱ প্ৰজন্মৰ ওপৰত কেনেধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিছে সেয়াও এক বিচাৰ্য বিষয়। আধুনিক যুগৰ বহুল ব্যৱহৃত যান্ত্ৰিক আহিলা দূৰদৰ্শন, চিনেমা, কম্পিউটাৰ, ম'বাইলফোন আদিৰ লগত যুৱ প্ৰজন্মৰ অংগাংগী সম্পৰ্ক। এই উপকৰণসমূহে আমাক সহায়ৰ সৈতে খোজ মিলাই আগবাঢ়ি যোৱাত পৰ্যাপ্ত পৰিমাণে সহায় কৰিছে। সেয়ে হ'লেও নতুন প্ৰজন্মৰ চিন্তা-চেতনাৰ ওপৰত গণমাধ্যমৰ ঋণাত্মক প্ৰভাৱেই

তুলনামূলকভাৱে বেছি। গণমাধ্যম সমূহে যুৱসমাজৰ ওপৰত পেলোৱা শুভ-অশুভ প্ৰভাৱ আৰু তাৰ পৰিণামৰ বিষয়েতলত থূলমূল আলোচনা আগবঢ়োৱাৰ যত্ন কৰা হ'ল ঃ-

১। গণমাধ্যমৰ প্ৰলোভনকাৰী কাৰ্যক্ৰমে যুৱসমাজক কৰ্মবিমুখ আৰু অসুস্থ চিন্তাধাৰৰ গৰাকী কৰি তুলিছে। গণমাধ্যমৰ জাক-জমকতাপূৰ্ণ অথচ ক্ষন্তেকীয়া আনন্দ প্ৰদানকাৰী উপকৰণসমূহে যুৱসমাজক কৰ্মত প্ৰবৃত্ত হোৱাৰ পৰা বিৰত কৰিছে। বহুক্ষেত্ৰত দেখা যায় যে গণমাধ্যমৰ এই ৰঙচঙীয়া ৰূপে যুৱক-যুৱতীসকলৰ মনত এনে ভ্ৰান্ত ধাৰণাৰ সৃষ্টি কৰে যে পঢ়া-লিখা কৰাতকৈ, সভা-সমিতিত যোগদান কৰাতকৈ বা ঘৰুৱা তথা সামাজিক কামত সহায় কৰাতকৈ গান-শুনা, চিনেমা চোৱা নাইবা ম'বাইল, ইণ্টাৰনেটত ব্যস্ত হৈ থকাই উত্তম। ইয়াৰ ফলত তেওঁলোক হৈ পৰে সমাজবিচ্ছিন্ন আৰু অকৰ্মণ্য।

২। চিনেমা বা বিভিন্ন টি.ভি চেনেল যোগে প্ৰচাৰ কৰা যুৱ প্ৰজন্মৰ ভুৱা আধুনিকতাই যুৱসমাজৰ আৰ্থিক মূল্যবোধৰ হানি কৰিছে। বিশেষকৈ কিছুমান কাহিনী আধাৰিত অনুষ্ঠানত নায়ক-নায়িকাৰ জীৱনৰ আৰ্থিক স্থিতি অৱাস্তৱ ৰূপত চিত্ৰিত কৰা দেখা যায়। অৰ্থাৎ কাহিনীৰ চৰিত্ৰই বহু টকা-পইচা খৰচ কৰি স্ফূৰ্তি-তামচা কৰে, নামী-দামী গাড়ী -মটৰেৰে ফুৰিবলৈ যায় বা খোৱা বোৱা,পিন্ধা-উৰা সকলো দিশতে ব্যয়বহুল আৰু বিলাসিতাপূৰ্ণ জীৱন-যাপন কৰে। কিন্তু তাৰ বিনিময়ত প্ৰয়োজন হোৱা টকা তেওঁলোকে ক'ৰ পৰা সংগ্ৰহ কৰিলে সেই কথাৰ ইংগিতো চিনেমা আদিত দিয়া নহয়।

৩। গণমাধ্যম প্ৰচাৰিত জীৱন কাহিনী বা দৃশ্যাৱলীয়ে যুৱসমাজক সহজলভ্য ধনৰ প্ৰতি, অনৈতিক কাৰ্যকালাপৰ প্ৰতি আকৰ্ষিত কৰি তোলাৰ লগতে বিভিন্ন ৰাজনৈতিক সংগঠনত অংশগ্ৰহণ আৰু বিলাসিতাপূৰ্ণ জীৱন যাপনৰ প্ৰতি আগ্ৰহী কৰি তোলে। কিন্তু জীৱনক স্বচ্ছল আৰু আদৰ্শবান কৰি তুলিবৰ বাবে, নিজকে ধনবন্ত কৰি তুলিবৰ বাবে যে পৰিশ্ৰমৰ আৱশ্যক তেনে সত্যাশ্ৰয়ী কথা এই গণমাধ্যমসমূহে এতিয়া প্ৰায়ে গুৰুত্বসহকাৰে নোলোৱা পৰিলক্ষিত হৈ পৰিছে। সেয়ে আধুনিক প্ৰজন্ম শ্ৰমবিমুখ, আওখৰচী, অনুশাসনহীন বা পৰনিৰ্ভৰশীল হৈ পৰাৰ বাবে গণমাধ্যমৰ কুপ্ৰভাৱ অন্যতম কাৰণ বুলি ক'ব পাৰি।

৪। পশ্চিমীয়া ধ্যান-ধাৰণাৰ অবাধ আমদানি আৰু সম্প্ৰচাৰ গণমাধ্যমৰ আন এটা ত্ৰুটিপূৰ্ণ দিশ। একেটা কথা বা কামেই কোনো এখন ঠাইত সংস্কৃতি আৰু আন কোনো ঠাইত দুস্কৃতি হিচাপে পৰিগণিত। মদ আদি নিচাযুক্ত দ্ৰব্য সেৱন, অবিবাহিত যুগ্মজীৱন, ল'ৰা-ছোৱালীৰ সঘন মিলা-মিছা, বিশেষ ধৰণৰ বস্ত্ৰ পৰিধান বা আচৰণ প্ৰদৰ্শন আদি পাশ্চাত্য দেশকে ধৰি কোনো কোনো সমাজত গ্ৰহণযোগ্য। কিন্তু আমাৰ সমাজত এইবোৰ সমূলি গ্ৰহণীয় নহয়। কিন্তু যুৱক-যুৱতী কিছুমানে সমাজৰ বিপৰীতে গৈ এনেধৰণৰ কৰ্মত লিপ্ত হোৱাৰ ফলত নৈতিক স্খলনকে ধৰি নানাধৰণৰ বিসংগতিৰ সৃষ্টি হৈছে।

৫। সভ্য সমাজত সঘনে উচ্চাৰিত আৰু প্ৰায়ে আলোচিত সমস্যামূলক বিষয় হৈছে যুৱ-উচ্ছৃংখলতা বা যুৱ সমাজৰ অসামাজিক কাৰ্যকলাপ। ইয়াৰ সৃষ্টি আৰু মাত্ৰা বৃদ্ধি হোৱাৰ বাবে অন্যান্য কাৰকৰ লগতে গণমাধ্যমকো দায়ী কৰিব পাৰি। নাটক, চিনেমা আদিত উপস্থাপিত জগত আৰু বাস্তৱ জীৱনৰ মাজত আকাশ-পাতাল পাৰ্থক্য। কিন্তু সম্পূৰ্ণ বাণিজ্যিক দৃষ্টিভংগীৰে প্ৰস্তুত কৰা এনে কাহিনীয়ে যুৱ প্ৰজন্মক এনেদৰে আপ্লুত কৰে যে, তেওঁলোকে এই পাৰ্থক্য পাহৰি পেলায়। ফলত প্ৰেম-প্ৰীতি, মানবীয় সম্পৰ্ক, চিন্তা-চৰ্চা, চলন-ফুৰণ, কথা-বতৰা, সাজ-পোছাক ইত্যাদি সকলোতে বিসংগতিয়ে গঢ় লৈ উঠে।

৬।অশালীন আৰু অভদ্ৰ আচৰণ, যৌনতা সৰ্বস্ব প্ৰেম,

গুৰুজন বা জ্যেষ্ঠজনাৰ প্ৰতি অমান্যতা আদিৰ সৃষ্টিত গণমাধ্যমৰ প্ৰেৰণা লেখত ল'বলগীয়া। প্ৰতিশোধমূলক মনোবৃত্তি গঠন, সম্পৰ্কৰ অৱনতি আৰু আত্মহত্যা আদিকে ধৰি যুৱ-অস্থিৰতাৰ অন্যান্য কাৰণস্বৰূপ গণমাধ্যম। গণমাধ্যমৰ বহুল প্ৰয়োগে যুৱক-যুৱতীক সমাজৰ পৰা দূৰলৈ লৈ গৈছে, আজৰি সময় কটোৱাৰ শুদ্ধ পথ বাছি উলিওৱাৰ অপৰাগ কৰি তুলিছে আৰু জীৱনৰ বিভিন্ন প্ৰমূল্যক সুস্থ ৰূপত গঢ়ি তোলাৰ চৰম অসফলতাৰ সন্মুখীন হ'ব লগীয়াত পৰিছে। এইবোৰৰ অন্তৰালত যে গণমাধ্যমৰ প্ৰভাৱ আছে সেয়া বৰ্তমান সৰ্বজন স্বীকৃত।

এনেদৰে সমালোচনাত্মক দৃষ্টিভংগীৰে আলোচনা কৰিলে দেখা যায় যে গণমাধ্যমে যুৱসমাজক ব্যাপকভাৱে ক্ষতিগ্ৰস্থ কৰিছে। যি প্ৰেম সকলো সুকুমাৰ কলা, সুন্দৰ সৃষ্টিৰে মূল উৎস আৰু সকলো মানৱীয় সম্পৰ্কক বান্ধি থোৱা শক্তিশালী মাধ্যম - সেই মহত্তম বিষয়টিও গণমাধ্যমৰ কু-প্ৰভাৱমুক্ত নহয়। অৱশ্যে এই কথাও সঁচা যে গণমাধ্যমৰ বহুকেইটা ভালআৰু উপকৃতকাৰী দিশো নথকা নহয়। কিন্তু বৰ্তমান প্ৰেক্ষাপটত আমি তুলনামূলক আৰু বাস্তৱ দৃষ্টিৰে বিচাৰ কৰিলে সহজে বুজিব পাৰিম যে গণমাধ্যমৰ ক্ষতিকাৰক দিশ বা কু-প্ৰভাৱৰ সংখ্যাই অধিক। তদুপৰি আভ্যন্তৰীণ আৰু চিন্তাগত আধুনিকতাৰ পৰিৱৰ্তে যুৱসমাজৰ আধুনিকতা ব্যাহ্যিক তথা আৰোপিত বুলি সচেতন মহলে প্ৰায়ে অভিযোগ কৰে। যুৱ প্ৰজন্ম এনে তৰল মানসিকতাসম্পন্ন হোৱাৰ ফলতে এই শ্ৰেণীটোৰ অভিযোগ নিশ্চিত ভাবে উলাই কৰিব নোৱাৰি। ইয়াৰ অন্তৰালত গণমাধ্যমৰ অপপ্ৰয়োগ,ইয়ে যুৱক-যুৱতীসকলৰ স্বৰূপ কৰি তুলিছে 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী'।

আটাইতকৈ গুৰুত্বপূৰ্ণ কথা -গণমাধ্যমৰ কু-প্ৰভাৱ মজ্জাগত বা স্বয়ং পৰিচালিত নহয়। ইয়াৰ বাবে মূলতঃ দায়ী তাক প্ৰয়োগ কৰোতাজনহে। ম'বাইল ফোনেৰে আমি কেনেদৰে উপকৃত হম, কেনে ধৰণৰ চিনেমা কেতিয়া চাম আৰু তাৰ পৰা কি শিকিম, ইণ্টাৰনেটৰ জৰিয়তে কি কি সুবিধা গ্ৰহণ কৰিম- এই সকলোবোৰ নিৰ্ভৰ কৰে আমাৰ ওপৰত, যুৱ প্ৰজন্মৰ নিজস্ব চিনাক্তকৰণৰ ওপৰত। গণমাধ্যমৰ অপপ্ৰয়োগৰ পৰিনাম যে ক্ষতিকাৰক সেই কথা এতিয়া সকলোৰে জনাজাত। গতিকে সমাজ জীৱনত অপসংস্কৃতিৰ সূচনা আৰু বিস্তাৰ কৰাৰ বাবে গণমাধ্যম নিজে যিমান দায়ী, তাতোকৈ অধিক দায়ী আমি প্ৰয়োগকাৰীসকলহে। এনেবোৰ কথা কিছু চিন্তা কৰিলেই আমি সকলোৱে নিশ্চয় উপলব্ধি কৰিব পাৰিম। □

---

*নিজে ইচ্ছা কৰা মতে যিহেতু কথাবোৰ নঘটে, সেয়ে ধৈৰ্য সহকাৰে কৰিবৰ শক্তি অৰ্জনৰ চেষ্টাই উত্তম কাম, তেনে মানসিক শক্তি লাভ কৰিবলৈ পৰিস্থিতিৰ প্ৰতিকূলতা জয় কৰিব লাগিব।*

*-উইলিয়াম অছলাৰ*

# ছাত্ৰ সমাজত উচ্ছৃংখলতা

❑ শ্ৰীৰুণুমী দাস
স্নাতক প্ৰথম বৰ্ষ (কলা)

বৰ্তমান ছাত্ৰ সমাজত দেখা দিয়া এটা জ্বলন্ত সমস্যা হৈছে যুৱ উচ্ছৃংখলতা। সমাজত প্ৰচলিত নিয়মৰ বিৰোধী হৈ বিভিন্ন ধৰণৰ সমাজবিৰোধী কাৰ্যত ৰত হোৱা, মাদক দ্ৰব্য সেৱন, মোবাইল ফোনৰ অপব্যৱহাৰ কৰি বিভিন্ন ধৰণৰ অপৰাধমূলক কাৰ্য সংঘটিত কৰা, পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰা, পিতৃ-মাতৃ, শিক্ষাগুৰুৰ প্ৰতি বিৰূপ আচৰণ প্ৰদৰ্শন কৰা আদি কাৰ্যবোৰেই হৈছে যুৱ উচ্ছৃংখলতা। আজিকালি একাংশ ছাত্ৰ-ছাত্ৰীয়ে নেতৃত্বৰ আদৰ্শ, চিন্তা-চৰ্চা আৰু অনুশাসনৰ গণ্ডীৰ বাহিৰ হৈ উচ্ছৃংখলতাত লিপ্ত হৈ পৰে। যিকোনো অজুহাততে শ্ৰেণী বৰ্জন, বন্ধ পালন, বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ মূৰব্বীক ঘেৰাও, শিক্ষক-শিক্ষয়িত্ৰীৰ লগত অসহযোগ, ছাত্ৰসমাজৰ ভিতৰত দলীয় সংঘৰ্ষ - এনেবোৰ ঘটনাৰ আতিশয্যাই শৈক্ষিক পৰিৱেশৰ ক্ষতি সাধন কৰাৰ উপৰিও সমাজত অশান্তিৰ বাতাবৰণ সৃষ্টি কৰে। যৌৱনৰ দুৱাৰডলিত উপনীত হৈ বহুতো ছাত্ৰই শুদ্ধ-অশুদ্ধ বিচাৰ কৰিব নোৱাৰি জ্ঞানী-গুৰুজনৰ আদেশ অমান্য কৰি মাৰপিট, গুণ্ডামি, ডকা-হকা দিয়া, যুৱতী আৰু মহিলাক অশ্লীল ব্যৱহাৰ কৰা আদি সমাজ বিৰোধী আচৰণ কৰে। বৰ্তমান সময়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বহুলভাৱে শিপাই থকা এটি কু-প্ৰবৃত্তি হৈছে ৰেগিং প্ৰথা। চিনাকি পৰ্বৰ নামত নৱাগত ছাত্ৰ-ছাত্ৰীক পুৰণি ছাত্ৰ-ছাত্ৰীসকলে মানসিক তথা বহুক্ষেত্ৰত শাৰীৰিকভাৱেও আতিশয্যা চলোৱা দেখা যায়। তাৰোপৰি বৰ্তমান বহুলভাৱে প্ৰচলিত মোবাইল ফোন, ইণ্টাৰনেট আদিৰ মাধ্যমেৰেও বহুতো ছাত্ৰ-ছাত্ৰীয়ে নানা ধৰণৰ অপৰাধমূলক কাম সংঘটিত কৰি সমাজত অশান্তিৰ সৃষ্টি কৰে।

> *শান্তি-শৃংখলা ভংগ কৰা সাধাৰণ উচ্ছৃংখলতাৰ পৰা জঘন্য অপৰাধলৈকে বিভিন্ন ধৰণৰ আইন বিৰোধী আৰু সমাজ বিৰোধী কামত আজিৰ ছাত্ৰ সমাজৰ একাংশ লিপ্ত হৈছে। ছাত্ৰসমাজৰ মাজত এয়া এক ভয়ংকৰ ব্যাধি আৰু আইন-শৃংখলাৰ সৈতে জড়িত কৰ্তৃপক্ষৰ লগতে সমগ্ৰ সমাজতে এই সম্পৰ্কে এটা সময়োপযোগী জাগৰণ নহ'লে এই অপশক্তি দিনে দিনে বৃদ্ধি পাই ছাত্ৰ সমাজ তথা সমগ্ৰ সমাজকে গ্ৰাস কৰিব।*

নিচাযুক্ত দ্ৰব্য সেৱন বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটা সাধাৰণ কথাৰ দৰে হৈ পৰিছে। মদ, ভাং, ড্ৰাগছ্ ইত্যাদি সেৱন কৰি বহুতো ছাত্ৰ-ছাত্ৰীয়ে উদ্‌ভ্ৰান্ত হৈ হত্যা, লুণ্ঠন আদিৰ দৰে গুৰুতৰ অপৰাধো সংঘটিত কৰে। খন্তেকীয়া নিচাৰ বাহিৰে এই শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে জীয়াই থকাৰ অন্য কোনো উদ্দেশ্য নোহোৱা হৈ পৰে। অন্ধকাৰৰ যাত্ৰী এই শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী পিতৃ-মাতৃৰ শঙ্কাৰ কাৰণ আৰু সমাজৰ বাবে বোজা স্বৰূপ হৈ পৰে।

উচ্ছৃংখলতাৰ প্ৰধান কাৰণসমূহ বিশ্লেষণ কৰিলে সামাজিক, আৰ্থিক, ৰাজনৈতিক আদিয়ে প্ৰধান বুলি ক'ব পাৰি। সুস্থ পৰিৱেশতহে এটা সুস্থ মন গঢ় লৈ উঠে। নিজৰ ঘৰ, আত্মীয়-স্বজন, ওচৰ-চুবুৰীয়া আদিৰ পৰা ল'ৰা-ছোৱালীয়ে ভাল-বেয়া গুণ আহৰণ কৰে। এটা শিশু যি পৰিৱেশৰ মাজত ডাঙৰ-দীঘল হয় সেই পৰিৱেশেই শিশুৰ নৈতিক জীৱন গঢ় দিয়ে। চাৰিওকাষৰ পৰিৱেশ যদি সুস্থ নহয়, শিশুৱে যদি হাই-কাজিয়া, অসৎ আচৰণ, মাদক দ্ৰব্য সেৱন আদিৰে পূৰ্ণ পৰিৱেশ এটাৰ মাজত ডাঙৰ দীঘল হয়, তেন্তে কালক্ৰমত সেই শিশুটোৱেই ডাঙৰ হৈ এটা উচ্ছৃংখল, অপৰাধ প্ৰৱণ জীৱন আদৰি লয়। আৰ্থিক দৈন্যতাও উচ্ছৃংখলতাৰ এটা অন্যতম কাৰণ হিচাপে বিবেচিত হৈছে। অভাৱৰ তাড়নাত পৰি বহুতো ছাত্ৰ-ছাত্ৰীয়ে চুৰি, ডকাইতি, ক'লা ধন উপাৰ্জনৰ বাবে নানা ধৰণৰ অসৎ কাৰ্যত লিপ্ত হৈ উচ্ছৃংখলতাৰ সৃষ্টি কৰিছে। ৰাজনৈতিক ক্ষেত্ৰখনৰ লগত সততে বিভিন্ন ধৰণৰ অপৰাধমূলক কাৰ্যত জড়িত হৈ থকা দেখা যায়। এইবোৰ দেখি-শুনিও বহুক্ষেত্ৰত বহুতো ছাত্ৰ-ছাত্ৰীয়ে উচ্ছৃংখল জীৱনৰ প্ৰতি আকৰ্ষিত হোৱা দেখা যায়।

এইদৰে দেখা যায় যে শান্তি-শৃংখলা ভংগ কৰা সাধাৰণ উচ্ছৃংখলতাৰ পৰা জঘন্য অপৰাধলৈকে বিভিন্ন ধৰণৰ আইন বিৰোধী আৰু সমাজ বিৰোধী কামত আজিৰ ছাত্ৰ সমাজৰ একাংশ লিপ্ত হৈছে। ছাত্ৰসমাজৰ মাজত এয়া এক ভয়ংকৰ ব্যাধি আৰু আইন-শৃংখলাৰ সৈতে জড়িত কৰ্তৃপক্ষৰ লগতে সমগ্ৰ সমাজতে এই সম্পৰ্কে এটা সময়োপযোগী জাগৰণ নহ'লে এই অপশক্তি দিনে দিনে বৃদ্ধি পাই ছাত্ৰ সমাজ তথা সমগ্ৰ সমাজকে গ্ৰাস কৰিব। চৰিত্ৰ হ'ল জীৱনৰ শিৰৰ ভূষণ। চৰিত্ৰৰ স্খলনে উচ্ছৃংখলতা বৃদ্ধি কৰে। গতিকে সু-চৰিত্ৰ গঠনৰ ওপৰত ছাত্ৰ সমাজে যথেষ্ট গুৰুত্ব আৰোপ কৰিব লাগে। লগতে শিক্ষক-শিক্ষয়িত্ৰী, পিতৃ-মাতৃ সকলোৱে ছাত্ৰ-ছাত্ৰীসকলক নৈতিক শিক্ষা প্ৰদান কৰি আৰু সকলো ধৰণেৰে সহযোগ কৰি এটা সুস্থ জীৱনৰ ফালে আগুৱাই নিব লাগে। তাৰোপৰি ছাত্ৰ সমাজ নিজেই নিজক শৃংখলিত কৰি নিজৰ চেকাবোৰ গুচাবৰ বাবে আৱশ্যকীয় ব্যৱস্থা ল'ব লাগে। তেতিয়াহে সমাজত উচ্ছৃংখলতাৰ দৰে মহাব্যাধিৰ পৰিসৰ হ্ৰাস পাই এখন সুস্থ-সবল, নিকা সমাজ গঢ়ি উঠি সমাজত শান্তি শৃংখলা বিৰাজ কৰিব।

□□

---

*মানুহৰ জীৱনটোৰ নৈতিক মূল্য অকল নিজৰ উন্নতিৰ ওপৰতে নিৰ্ভৰ নকৰে; ই নিৰ্ভৰ কৰে জাতিবাসীক কি দিলে তাৰ ওপৰতহে।*

*-এলবাৰ্ট আইনষ্টাইন*

# অসমীয়া ৰহস্যবাদী কবিতা ঃ দুগৰাকী মহিলা কবিৰ ৰচনাৰাজিৰ আধাৰত

*চয়নিকা কলিতা*
*স্নাতক তৃতীয় বৰ্ষ*

ৰহস্যবাদ হৈছে বিশেষ অনুভূতিযুক্ত এক মানসিক প্ৰক্ৰিয়া যাৰ জৰিয়তে ব্যক্তিয়ে ভগবৎ সত্বা তথা তেওঁৰ বিশ্ব সৃষ্টিত পৰম সত্যক উপলব্ধি কৰি তেওঁৰ লগত মিলনৰ পৰম আনন্দ লাভ কৰিব পাৰে। সেয়েহে ৰহস্যবাদ 'ভগৱানৰ নীৰব উপভোগ, পৰমজনেৰে সৈতে মিলনৰ বিজ্ঞান আৰু একান্তলৈ একান্তৰ অভিযান' বুলিব পাৰি। সাহিত্যৰ মাজেদি এই দৈৱী অনুভূতি সাধনক 'ৰহস্যবাদ' বুলিব পাৰি। সাধাৰণ দৃষ্টিত জড় আৰু চৈতন্যময় জগতখন বৈচিত্ৰৰে পূৰ্ণ, জগতৰ প্ৰতিটো বস্তুৰে একোটা সুকীয়া সত্তা আছে। কিন্তু ৰহস্যবাদীসকলৰ চকুত এই বৈচিত্ৰৰ মাজতে এক ঐক্য সূত্ৰ দৃষ্টিগোচৰ হয়। তেওঁলোকে জগতৰ বিভিন্ন সত্তাবোৰৰ বিশেষ অস্তিত্ব অনুভৱ নকৰে, বৰঞ্চ প্ৰতিটো সত্তাৰ গুৰিত এক পৰম সত্তাৰ অস্তিত্বহে উপলব্ধি কৰে।

অসমীয়া কাব্য-সাহিত্য জগতত এনে বহু ৰহস্যবাদী কবি, সাহিত্যিক আছে যিসকলে ৰহস্যবাদৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে। ইয়াৰে ভিতৰত নলিনীবালা দেৱী আৰু যমুনেশ্বৰী খাটনিয়াৰ, এই দুগৰাকী মহিলা কবিৰ প্ৰাধান্য মনকৰিবলগীয়া। ৰহস্যবাদী কবি হিচাপে প্ৰতিষ্ঠা লাভ কৰা এওঁলোক দুয়োগৰাকীৰে ব্যক্তিগত জীৱনৰ দুখ-শোক আছিল ৰহস্যবাদী কবিতাসমূহৰ প্ৰধান উৎকৰ্ষ।

*'হেৰা প্ৰভাতৰ অৰুণ কিৰণ*
*কত পালা এনে উজ্বল বৰণ*
*ইমান কোমল মাধুৰী সনা*
*যিজনে বিলালে এই উজ্বলতা*
*সিজনে আমাৰ পিতা।'*

(পিতা)

অসমীয়া কাব্য জগতৰ প্ৰতিভাময়ী ৰহস্যবাদী কবি নলিনীবালা দেৱীয়ে কিশোৰী কালতে এই কবিতাটি ৰচনা কৰিছিল। কিশোৰী হৃদয়ৰ গভীৰতাৰ পৰা নিগৰি নিগৰি বৈ আহিছিল পৰমপিতাৰ প্ৰতি জনোৱা প্ৰশস্তিৰ পংক্তিসমূহ। সেই সময়তে তেওঁৰ জীৱনলৈ নামি আহিছিল এন্ধাৰৰ ক'লা ছায়া। এইবোৰ তেওঁ পৰমপিতাৰে মায়া বুলি ভাবি লৈছিল। সংঘাতে জীৱনৰ স্বৰূপ। ব্যক্তিগত দুখ-বেদনাৰ পৰা অব্যাহতি পাবলৈ নিজকে কবিতাৰ বুকুত বিলীন কৰি দিছিল আৰু পৰমজনৰ সন্ধানত পাৰ কৰিছিল জীৱনৰ প্ৰতিটো পল। যন্ত্ৰণা কাতৰ মনক শান্তি দিবৰ বাবে গীতা, উপনিষদৰ মূল্যৱান উপদেশ ৰাজিক নিৰ্মালি স্বৰূপে লোৱা এইগৰাকী কবিৰ কবিতাৰ মাজত জিলিকি উঠিল গভীৰ ভগবৎ প্ৰীতি আৰু ভাৰতীয় দৰ্শনিক চিন্তাৰ সম্যক প্ৰকাশ। কবিয়ে এই সম্পৰ্কত কৈছে - 'ভাৰতীয় দৰ্শন অধ্যয়নৰ মাধ্যমেই মোৰ জীৱন আলোকপাত কৰে।

ভাৰতীয় দৰ্শনৰ মাজত মই বিচাৰি পাইছো সংঘাতে আবৰা মোৰ জীৱনৰ শান্তি পথ।'

ভাৰতীয় দৰ্শনে জন্মান্তৰ বিশ্বাস কৰে। সেয়েহে আত্মাৰ অবিনশ্বৰতা আৰু জন্মান্তৰবাদক কবিয়েও গভীৰ বিশ্বাস কৰে। কবিয়ে ধাৰণা কৰি লৈছে যে ; জন্ম-জন্মান্তৰ চিনাকী এই পৃথিৱীখনলৈ কবি জনমে জনমে আহিছে আৰু গৈছে। এই জগতৰ লগত তেওঁৰ অতীতৰ নিবিড় সম্বন্ধ আছে, সেয়েহে কৈছে -

*'আজিৰ নোহোৱা মোৰ সুন্দৰ পৃথিৱী*
*জনমৰ যুগমীয়া তুমি,*
*অনন্ত কালৰ মোৰ শান্তিৰ জিৰণি*
*অতীতৰ স্বপ্ন লীলাভূমি ।'*

('পৰমতৃষ্ণা')

অপূৰণ কৰ্মক পূৰ্ণতা দিবলৈ আত্মাৰ এই পৃথিৱীলৈ পুনৰাগমন ঘটে -

*'কতবাৰ জনমিলোঁ   তোমাৰ কোলাত*
*গইছিলো আকউ উভতি,*
*অদূৰণ কৰমৰ   ভাৰ বান্ধি লই*
*ঘুৰি ঘুৰি আহিছো উভতি।'*

(পৰমতৃষ্ণা)

কবিয়ে এয়াও উপলব্ধি কৰে যে আধৰুৱা কাম সম্পূৰ্ণ কৰিবলৈ মানুহ এই ধৰালৈ আহে। তেনেদৰে আধৰুৱাকৈ কিছুমান কাম এৰি পুনৰ পৃথিৱীৰ সিপাৰৰ জগতলৈ যাবলগীয়া হয়। ইয়াৰ বাবে কবিয়ে সুদূৰৰ আহ্বান শুনিবলৈ পোৱা বুলি অনুভৱ কৰে এনেদৰে -

*"দুৰণিৰ পখীজাক মিলি যায় দিগন্তত*
*মাতি যায় আকুল সুৰত*
*প্ৰতিধ্বনি বাজে সুদূৰত,*
*জীৱন লগৰী মোৰ পিজৰাৰ পখীটিও*
*মিলি যাব খোজে অনন্তত,*
*অসীমৰ অচিন বাটত।"*

(পৰমতৃষ্ণা)

পৰমজনৰ লগত মিলিত হোৱাৰ কবিৰ যি অনন্ত বাসনা, অন্বেষণৰ যি আকুলতা সেয়া কেৱল এগৰাকী ৰহস্যবাদীৰ বাবেহে সম্ভৱ। অতীন্দ্ৰিয় অনুভূতিৰ জৰিয়তে কবিয়ে পৰমজনৰ লগত মিলিত হয়। দিব্যানুভূতিৰ বাবে পৰিদৃশ্যমান নৈসৰ্গিক সৌন্দৰ্য্যৰ মাজত তেওঁ পৰম পুৰুষক দেখে, বাঁহীৰ সুৰ শুনিবলৈ পায় আৰু অনুভৱ কৰে পৰম স্পৰ্শ ঃ

*'পুৱতিৰ শুভ লগনত*
*অৰুণৰ ৰঙা পোহৰত*
*তোমাৰ লগত মোৰ*
*অনন্ত মিলন*
*নিতে দেখা শেৱালি বনত।'*

(মিলন)

আৰু সেইজনক বা পৰম প্ৰিয়জনক আশ্ৰয় কৰি কবিয়ে কৈ উঠিছে-

*'সহিব নোৱাৰি এই*
*জীৱনৰ ভাৰ*
*সপি দিলো তোমাৰ পাৱত।*
*বৰ শ্ৰান্ত প্ৰভূ ! মই*
*লোৱা তুলি মোক*
*দিয়া ঠাই চৰণ তলত।'*

(ভাগৰুৱা)

জীৱন যেতিয়া অবাঞ্চিত হয়, তেতিয়া 'মৃত্যু হয় বাঞ্চিত সুন্দৰ'। কবিয়ে উপলব্ধি কৰি পাইছে যে পৰম প্ৰাপ্তি হোৱা সম্ভৱ মৃত্যুৰ যোগেদিহে। সেয়েহে জীৱনটোক বিৰহ আৰু মৃত্যুক মিলনৰূপে কল্পনা কৰি পৰম পুৰুষৰ লগত মিলনৰ আকাংক্ষাত তেওঁ কৈছে

*'চিতাগ্নি হোমাগ্নি হ'ব*
*সমীৰণ মলয় চন্দন*
*সিদিনা সাৰ্থক হ'ব*
*পূৰ্ণ অৰ্ঘ, পূৰ্ণ ই জীৱন।'*

( পূৰ্ণ অৰ্ঘ)

এনেদৰে নলিনীবালা দেৱীৰ কবিতাত ৰহস্যবাদী চিন্তাধাৰাৰ উৎকট ৰূপ প্ৰকাশ পাইছে। পৰম পুৰুষক তেওঁ প্ৰিয়তম হিচাপে ভাবি লৈ তেওঁৰ সৈতে মৃত্যুৰ যোগেদি একাত্ম হোৱাৰ অদ্ভুত বাসনা মনত পুহি ৰাখিছে আৰু কবিতাসমূহৰ মাজেৰে ইয়াৰ প্ৰকাশ ঘটিছে।

ৰহস্যবাদী চিন্তাধাৰাৰে উদ্বুদ্ধ হোৱা আন এগৰাকী মহিলা কবি হৈছে যমুনেশ্বৰী খাটনিয়াৰ। ঊনবিংশ শতিকাৰ এইগৰাকী কবিৰ কবিতাসমূহত এক আধ্যাত্মিক সুৰ বিৰাজমান। বিষাদৰ অনুভৱ আৰু মৃত্যুচেতনা- এই দুটা ভাৱেও কবিতাসমূহত মূৰ্ত হৈ উঠিছে। কবি প্ৰাণৰ চিৰন্তন নিসংগতাৰ সুৰে তেওঁৰ কবিতাসমূহক এটি কোমল বিষাদ দান কৰিছে। কবিয়ে দেখিছে যে, পৰিপূৰ্ণ সংসাৰত সকলো সুন্দৰ, স্বাচ্ছন্দভাৱে আছে। কিন্তু তেওঁৰ প্ৰাণ নোপোৱাৰ বেদনাৰে সিক্ত -

*'তেও কিয় মন মোৰ*
*অথিৰ সদায়,*
*দিনে ৰাতি ভাবে যেন*
*কিবা নাই নাই।'*

মৃত্যু সম্পৰ্কে তেওঁৰ ধাৰণা আশাৰে ভৰা। মৃত্যু দুখ আৰু বেদনাৰ উৎস নহয়। মৃত্যুত অনুভৱ শেষ হৈ নাযায়। বেলি মাৰ যোৱাৰ লগে লগে পৃথিৱীলৈ ধীৰে ধীৰে অন্ধকাৰ নামি আহি পৃথিৱীক আৱৰি পেলোৱাৰ দৰে মানুহৰ জীৱনলৈও আন্ধাৰ নামি আহে ; সেয়া অন্তিমৰ অন্ধকাৰ। পৃথিৱী আন্ধাৰ হয় কিন্তু আকাশত জিলিকে তৰা। তাৰে উপমা আনি কবিয়ে কৈছে -

*'এইৰূপে জীৱনৰ সন্ধিয়া কালত*
*মৃত্যুৰ কোলাত মই কৰিলো শয়ন*
*দেখিম নতুন ক'ত জ্যোতিৰ্ময় দেশ*
*যদিও মুদিম মই এই দুনয়ন।'*

(মৃত্যুসন্ধা)

মৃত্যুৰ পাছৰ কিছুমান অলৌকিক চিন্তা কবিৰ কল্পনাত ভাসমান। এয়া ৰহস্যবাদী চিন্তাধাৰাৰে এটা সুঁতি । ৰহস্যবাদী কবিতা ৰচনা কৰা এই গৰাকী কবিৰ কবিতাসমূহে অসমীয়া কাব্যজগতত বিশেষ প্ৰভাৱ পেলাব পাৰিছে।

বিষয়বস্তুৰ প্ৰভেদ থাকিলেও দুয়োগৰাকী কবিৰ কবিতাসমূহত এটা ভাৱৰ প্ৰকাশ ঘটিছে; সেয়া হৈছে ৰহস্যবাদী ভাৱ, যিটো ভাবধাৰাই দুয়ো গৰাকী কবিৰ ৰচনাৰাজিক একেডাল ডোলেৰে বান্ধিবলৈ সক্ষম হৈছে। পৰমাত্মাৰ সৈতে মিলনৰ আকাংক্ষা বা পৰমাত্মাত বিলীন হোৱাৰ বাসনাই এওঁলোকৰ চিন্তা-ভাৱনাৰ প্ৰধান উৎকৰ্ষ। তেওঁলোকৰ এই ভাবধাৰাই কবিতাসমূহৰ মাজেৰে অপূৰ্ব ৰূপত প্ৰকাশ পালে। সময়ৰ ব্যৱধান থাকিলেও ভাৱৰ সমন্বয়ে দুয়োগৰাকী কবিৰ সৃষ্টি সমলক একেডাল ঐক্য সূত্ৰৰে সংযুক্ত কৰাৰ লগতে অসমীয়া কবিসকলৰ মাজত বিশিষ্ট ৰহস্যবাদী কবি হিচাপে স্বীকৃতি প্ৰদান কৰাত সহায় কৰিলে। ■

<u>প্ৰসঙ্গ পুথি ঃ</u>

১। কবি আৰু কবিতা- নন্দ তালুকদাৰ।
২। বাৰ্তা পখিলী, ডিচেম্বৰ সংখ্যা, ২০১০।

# ইছলামিক বিবাহ পদ্ধতি - 'নিকাহ'

*নাৰায়ণ সূত্ৰধৰ*
*স্নাতক তৃতীয় বৰ্ষ (কলা)*

পৃথিৱী বিখ্যাত প্ৰায় আটাইবোৰ ভাষাগোষ্ঠীৰ বসবাসিক সমন্বয়ক্ষেত্ৰ ভাৰতবৰ্ষৰ উত্তৰ পূৱ প্ৰান্তৰ কেন্দ্ৰস্থ ৰাজ্য অসম বিভিন্ন জাতি-উপজাতিৰ বিভিন্ন ভাষিক লোকৰ সংগম স্থল। প্ৰব্ৰজনৰ মাধ্যমেৰে আহি বিচিত্ৰ অসম ভূমিত পদাৰ্পন কৰি বৈচিত্ৰ্যপূৰ্ণ অসমীয়া জাতি তথা সংস্কৃতিৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা আগবঢ়োৱা লোক সমষ্টিৰ ভিতৰত ছেমীয়-হেমীয় গোষ্ঠীৰ মোগল -পাঠান বংশোদ্ভৱ মুছলমান সম্প্ৰদায়ৰ লোকসকল অন্যতম। ঐতিহাসিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে এয়া স্পষ্টভাৱে পৰিলক্ষিত হয় যে খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ পৰা অসমত মুছলমানসকলে বাস কৰিবলৈ লৈছে।

প্ৰত্যেক ব্যক্তি সমষ্টিৰ ক্ষেত্ৰত নাৰী-পুৰুষৰ সামাজিকভাৱে গৃহীত বা স্বীকৃত যৌন মিলন অৰ্থাৎ বিবাহ কাৰ্য বিভিন্ন নিয়ম-নীতি পালনৰ মাজেৰে সম্পন্ন হয়। এই ক্ষেত্ৰত মুছলমানসকল ব্যতিক্ৰম নহয়। মুছলমান সম্প্ৰদায়ৰ বিবাহ পদ্ধতিক 'নিকাহ' নামেৰে জনা যায়। কিছুমান ইছলামিক পণ্ডিত তথা মৌলৱীয়ে 'নিকাহ' পদ্ধতিটোক মুছলমান সমাজৰ এক প্ৰকাৰৰ সামাজিক চুক্তি বুলিহে অভিহিত কৰিছে যদিও এই অনুষ্ঠানত শ্বৰিয়তৰ দ্বাৰা নিৰ্দেশিত কেতবোৰ নীতি-নিয়ম পালন কৰা দেখা যায়। অসমীয়া জাতি তথা সংস্কৃতিৰ বিশাল ক্ষেত্ৰখনৰ সংস্পৰ্শত থকা হেতুকে অসমবাসী মুছলমান সমাজৰ 'নিকাহ' পদ্ধতিটোত কিছুমান থলুৱা লোকাচাৰ অন্তৰ্ভূক্ত হোৱাটো তেনেই স্বাভাৱিক। দৃষ্টান্তস্বৰূপে, অঞ্চল বিশেষে 'নিকাহ' পতাৰ শুভদিন বাৰ ঠিক কৰিবলৈ পঞ্জিকাৰ আশ্ৰয় লোৱা, বিয়ানাম গোৱা, গাত মাহ হালধি সনা, কল পুলিৰ তলত কইনাক নোওৱা, তামোলপান সলোৱা, দৰা আদৰাৰ সময়ত কইনাৰ কনিষ্ঠ ভাতৃ-ভগ্নীয়ে দৰাৰ ভৰি ধুৱাই দিয়া ইত্যাদি আচাৰৰ উল্লেখ কৰিব পাৰি।

আন আন সম্প্ৰদায়সমূহৰ বিপৰীতে, ইছলামিক ৰীতি অনুযায়ী, মুছলমানসকলৰ 'নিকাহ' অনুষ্ঠানটো অনাড়ম্বৰযুক্ত তথা অতি সাধাৰণভাৱে অনুষ্ঠিত কৰাটো বাঞ্চনীয়। অসমৰ মুছলমানসকলে 'নিকাহ' উপলক্ষে পালন কৰিবলগীয়া নিয়মসমূহৰ ভিতৰত, ইজাব-ও-কবুল্‌কম মতে প্ৰথমে দৰা ঘৰৰে কোনো মধ্যস্থ ব্যক্তি গৈ কন্যাৰ অভিভাৱকৰ অভিমত লোৱাটো প্ৰয়োজনীয়। ছোৱালী ঘৰৰ অসন্মতি নাথাকিলে এদিনাখন ল'ৰাৰ দেউতাক গৈ ছোৱালীৰ ঘৰ পায়। উভয় অভিভাৱকৰ মাজত মোহৰ দেনাৰ আলোচনা চলে। এই মোহৰৰ সংখ্যা দহ দিৰহামৰ পৰা কেইবা শ বা হাজাৰ পৰ্যন্ত হ'ব পাৰে।

ইছলামিক ৰীতিমতে নিকাহৰ কাৰ্যসূচী ৰূপায়িত হয় কন্যাঘৰত। পূৰ্বে নিৰ্দ্ধাৰিত শুভ ক্ষণত

দৰাই সু-সজ্জিত হৈ সমদলে কন্যাঘৰ অভিমুখে যাত্ৰা কৰে। আনপিনে কন্যা গৰাকীয়ে নৱ বস্ত্ৰ অলংকাৰ পৰিধান কৰি দৰা অহালৈ অপেক্ষা কৰে। কইনাঘৰৰ পদূলিত দৰা আহি উপস্থিত হোৱাৰ পিছত কন্যাৰ ভাতৃ অথবা ভগ্নীয়ে দৰাৰ ভৰি ধোৱাই অতি সাদৰেৰে লৈ আঙুঠি পিন্ধায়। তাৰ পিছত অতি সাদৰেৰে আদৰি নি দৰা প্ৰমূখ্যে দৰাঘৰীয়াক কইনাঘৰত বিশেষ আসনত বহিবলৈ দিয়া হয়। ঠাই বিশেষে মিলাদ আৰু কল্‌মা পাঠ কৰাৰ নিয়ম আছে। ইয়াৰ পিছত এজন উকীল আৰু দুজন সাক্ষী দিয়া ব্যক্তিৰ উপস্থিতিত আৰম্ভ হয় বিবাহৰ সোধ-পোচ। উকীলে নিকাহৰ সমস্ত দেনা-পাওনা তথা দৰা-কইনাৰ অভিভাৱকৰ নাম তথা ঠিকনা দাঙি ধৰি সন্মতি বিচাৰে আৰু উভয় পক্ষই সন্মতি জনোৱাৰ পিছত সেই সকলো কথাখিনি কাবিল নামাত লিপিবদ্ধ কৰে। ইয়াৰ লগে লগে নিকাহৰ মূল কাৰ্যৰ অন্ত পৰে। তাৰ পিছত কইনাক সমাজৰ মাজলৈ অনা হয়। সমাজৰ সন্মুখত কইনাই দৰাক তচলিম কৰাৰ পিছত দৰা -কইনা উভয়ে সমাজলৈ তচলিম আগবঢ়ায়। ঠাই বিশেষে সেই ক্ষণত কোৰাণৰ অংশ পাঠ শুনোৱাৰ প্ৰথা আছে। সকলো নীতি-নিয়ম শেষ হোৱাৰ পিছতে দৰা-কইনা তথা দৰঘৰীয়া সকল দৰা ঘৰ অভিমূখে ৰাওনা হয়।

এনেদৰে কেতবোৰ সাধাৰণ অথচ স্বকীয় সম্প্ৰদায়গত বৈশিষ্ট্যসম্পন্ন নীতি -নিয়মৰ পালনৰ জৰিয়তে ইছলামিক বিবাহ পদ্ধতি অৰ্থাৎ ‘নিকাহ’ সম্পন্ন হয়। ❐❐

বিভিন্ন গ্ৰন্থ, আলোচনী আদিৰ সহায় লৈ লিখা হৈছে

---

*এখন সমাজ সুচাৰুৰূপে পৰিচালিত হ'বলৈ হ'লে লাগে অফুৰন্ত কৰ্মশক্তি, সংযত বিবেক আৰু সেৱাৰ মনোভাৱ*

*- ৰাজা ৰামমোহন ৰায়*

# সোণোৱালী আঘোণ

শ্ৰীজ্ঞানদীপ নাথ
স্নাতক ২য় বাৰ্ষিক

আঘোণৰ কুঁৱলীয়ে
বাট ভেটি কৰিছে আমনি
একোকে নমনি
কুঁৱলী নথকা হলে
দেখিলো হেঁতেন
পকা সোণবৰণীয়া
ধানৰ আঁচল।
- কেশৱ মহন্ত।

এয়াই আঘোণ, এমুঠি সপোন। কুঁৱলীৰ বাধা নেওচি পথাৰৰ প্ৰেমত পৰি ভাল লগা আঘোণ। আঘোণৰ আগমনত প্ৰকৃতিয়ে পাৰি দিয়ে নিয়ৰৰ শুভ্ৰ দলিচা। হিমচেঁচা নিয়ৰৰ কোমল পৰশেৰে কোমল পুৱা আৰু মৃদু জাৰ লগা আবেলি। আঘোণ বুলিলেই এখন পথাৰ-সোণোৱালী বৰণ, ফৰকাল মন। আঘোণ মানেই এবুকু আশা- ডাঙৰিৰ জিৰিক জিৰিক মাতেৰে কৃষকে সপোন কঢ়িওৱাৰ আশা। যি সপোন কৃষকে শাওনৰ দুপৰ বেলাত সেউজী পাতত বোলাই থৈ আহিছিল, সেই সপোন সোণোৱালী হৈ কৃষকৰ চোতাললৈ আহে আঘোণৰ আবেলি সেয়ে আঘোণ, হেপাহৰ জিলমিল সপোনৰ।

আঘোণৰ আবেলিৰ সৌন্দৰ্য মায়াময় ৰিব ৰিব বতাহ পথাৰৰ হালধীয়া সোণগুটিবোৰে নাচি-বাগি গাব খোজে আঘোণৰ পথাৰৰ বুকুৰ গান।

হেমন্তৰ বুকুত মুৰ থৈ বৈ থাকে আঘোণ। পথাৰৰ সোণোৱালী শইচৰে নদন-বদন কেঁচা সোণ বোটলাৰ মাহ আঘোণৰ সতে পথাৰৰ কৃষকৰ এক আজন্ম সম্বন্ধ আছে।

কুঁৱলীৰ আবৰণ ভেদি সুৰুযে ভুমুকি মাৰে মানে পুৱাটো শেষেই হয়। দিনটোৰ কৰ্ম ব্যস্ততাই আবৰি ধৰে চহা জীৱনক। পকা ধানে উন্মনা কৰে কৃষকৰ মন। সীমাহীন আশা বুকুত বান্ধি ব্যস্ত হয় কৃষক সকল। আঘোণৰ আবেলিৰ এক সুকীয়া আমেজ আছে- জুইৰ উত্তাপ, মৰণাৰ শব্দ, ন-খোৱা আয়োজন। সচাঁকৈয়ে আঘোণ প্ৰাচুৰ্যৰে ভৰা মাহ।

আঘোণ পাৰ হ'লেই পথাৰখন উকা হয়। উদং পথাৰে উদাসমনৰে আকাশলৈ চায়। এই উকা পথাৰখন দেখিলে মন বোৰ উদাস হয়।

তথাপি আশা আঘোণৰ হালধীয়া উত্তাপ পৰিবৰ্তন হওঁক মানুহৰ হৃদয়ৰ উত্তাপলৈ। উত্তাপেৰে সোণোৱালী হওঁক আমাৰ পৃথিৱী। শইচৰ সুবাসেৰে সুগন্ধিত হওঁক সেউজীয়া ধৰা খনি। ◻◻

# মামনি ৰয়ছম গোস্বামীৰ উপন্যাস "দঁতাল হাতীৰ উয়ে খোৱা হাওদা"ৰ বিধবা নাৰীৰ চৰিত্ৰ বিশ্লেষণ

*আৰমিনা বেগম*
*স্নাতক ৩য় বৰ্ষ*

ড° মামনি ৰয়ছম গোস্বামী অসমীয়া সাহিত্য জগতৰেই নহয় ভাৰতীয় সাহিত্য ক্ষেত্ৰৰ এগৰাকী প্ৰতিভাশালী লেখিকা। তেওঁৰ উপন্যাসত ব্যক্তিগত জীৱনৰ দুখ-বেদনা, হতাশা আৰু নৈৰাশ্যই বিশেষ প্ৰাধান্য লাভ কৰা দেখা যায়। নাৰী মনৰ সুখ-দুখ, হতাশা, শোষন,নিষ্পেষণ, লাঞ্চনা, অপমান ইত্যাদি হ'ল তেওঁৰ উপন্যাসৰ মূল উপজীৱ্য। মামনি ৰয়ছম গোস্বামীৰ উপন্যাসবোৰৰ ভিতৰত "দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা" এখন উল্লেখযোগ্য উপন্যাস দক্ষিণ কামৰূপৰ আমৰঙ্গা সত্ৰৰ পটভূমিত সত্ৰীয়া সমাজৰ আধাৰত উপন্যাসৰ কাহিনী লোৱা হৈছে। ৰক্ষণশীল সত্ৰীয়া সমাজৰ কটকটীয়া নিয়ম শৃংখলাই তিৰোতাসকলৰ বিশেষকৈ বিধবা তিৰোতাসকলৰ জীৱন বিষময় কৰি তোলাৰ বৰ্ণনা উপন্যাসখনত অংকিত হৈছে। বিধবা নাৰীসকলক সত্ৰীয়া সমাজখনে মানুহ হিচাপে জীয়াই থাকিবলৈ দিয়াৰ পৰিবৰ্তে ডাষ্টবিনৰ পেলনীয়া জাবৰ হিচাপে গণ্য কৰে। ফলত বিধবা নাৰীসকলৰ জীৱনটো হৈ পৰে নিৰস আৰু শুকান কাঠৰ দৰে। তেওঁলোক পদে পদে সত্ৰীয়া সমাজৰ কঠোৰ নীতি-নিয়মৰ বলি হ'ব লগা হয়। বিধবা হোৱাৰ পিছত মাটিত ভৰি দিব নাপায়, ঢকুৰা ভৰিত পিন্ধি শৌচ কৰিবলৈ যাব লাগে, মাটিত খোৱা ফল-মূল খাব নাপায়, নিৰামিষ খাব লাগে- ইত্যাদি বিভিন্ন বাধা-নিষেধেৰে তেওঁলোকৰ জীৱন দুখ যাতনাৰে ভৰি পৰে। "দঁতাল হাতীৰ উঁয়ে খোৱা হাওঁদা" উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ "ইন্দ্ৰ নাথ" সত্ৰৰ ভাবী সত্ৰাধিকাৰ। ইন্দ্ৰ নাথক কেন্দ্ৰ কৰি যি চাৰিগৰাকী নাৰী চৰিত্ৰৰ উপন্যাসখনত অৱতাৰণা কৰা হৈছে তেওঁলোক হ'ল - ইন্দ্ৰ নাথৰ পেহীয়েক দূৰ্গা, ভনীয়েক - গিৰিবালা, খুড়ীয়েক - সৰু গোসাঁনী আৰু ইন্দ্ৰ নাথৰ ভাবি প্ৰেমিক ইলিমন। এই চাৰি গৰাকী নাৰীৰ ভিতৰত তিনিগৰাকীয়ে বিধবা। তলত এই তিনিগৰাকী বিধৱা নাৰীৰ চৰিত্ৰৰ এটি সম্যক মনস্বাত্বিক বিশ্লেষণ দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে-

**দূৰ্গাঃ**- দঁতাল হাতীৰ উঁৱে খোৱা হাওদাৰ এক কৰুণ চৰিত্ৰ হ'ল দূৰ্গা। চিকাৰহাটীত বিয়া দিয়া ইন্দ্ৰনাথৰ পেহীয়েক দূৰ্গাই বিধবা হৈ ঘৰলৈ ঘূৰি আহে। বিধবা হোৱাৰ পিছত পৰম্পৰাগত ৰক্ষণশীল সমাজৰ কঠোৰ নীতি-নিয়মৰ বলি হ'ব লগা হয়। দূৰ্গাও সমাজে বান্ধি দিয়া নীতি-নিয়ম মানি প্ৰতিদিনে মৃত স্বামীৰ খৰমত ফুল-তুলসী দিছিল। বিধবা হোৱা নাৰীসকলে সাধাৰণতে নিৰামিষ আহাৰ গ্ৰহণ কৰিবলগীয়া হয়। দূৰ্গাও নিৰামিষ আহাৰ গ্ৰহণ কৰিছিল তাৰোপৰি

ঘৰখনে ইচ্ছাকৃতভাৱে তাইৰ দৈনন্দিন আহাৰৰ পৰিমাণ কমাই দিছিল। ফলস্বৰূপে তাইৰ খোৱা-বোৱাত ৰুচি নোহোৱা হ'ল। লাহে লাহে তাইৰ শৰীৰৰ অৱনতি ঘটিব ধৰিলে। ঘৰখনৰ ককৰ্থনা, অৱহেলা আৰু যাতনাই তাইৰ জীৱন বিপন্ন কৰি তুলিছিল। সামাজিক সংস্কাৰ আৰু অন্ধবিশ্বাসৰ তুঁহ জুইকুৰা পুৱায়েই তাই যেন সঁচাকৈ প্ৰেতনীলৈ ৰূপান্তৰ হ'ল। হতাশা আৰু নিৰাশাৰ মাজতে তাই স্বামীৰ অস্থি গঙ্গাত বিসৰ্জন দিয়াৰ আকাঙ্খা মনত লৈ দিনবোৰ পাৰ কৰিব ধৰিলে। কিন্তু যেতিয়া তীৰ্থ যাত্ৰাৰ বাবে শেষ অৱলম্বন হিচাপে থকা সোণৰ গহণা কেইপদ চুৰি হ'ল তেতিয়া দূৰ্গাৰ মনত জীয়াই থকাৰ সাৰ্থকতা খিনি হেৰাই গ'ল। দূৰ্গাই চৰম দুখঃ আৰু ক্ষোভত চিৎকাৰ কৰি উঠিলে। অৱশেষত যক্ষ্মা ৰোগত আক্ৰান্ত হৈ মৃত্যুৰ ক্ষণ গনি থকা দূৰ্গাক স্বামী ভিঠালৈ পঠোৱা হ'ল। নিৰাশ্ৰয়া দূৰ্গাৰ কাৰণে স্বামী ভিঠাই একমাত্ৰ আশ্ৰয় । সেয়ে সামাজিক অন্ধ বিশ্বাস আৰু কু-সংস্কাৰৰ বশৱৰ্তী হৈ তাই স্বামী ভিঠাত হাড় পেলাবৰ বাবে মৃত স্বামীৰ গৃহলৈ যাত্ৰা কৰিলে। কাৰণ "স্বামী ভিঠাত হাড় পেলোৱা তিৰী স্বৰ্গ পাৱ পাৰে। স্বামী ভিঠা এৰি অহা তিৰী আৰু লেংটা হৈ বাটে বাটে ঘূৰি ফুৰা তিৰীৰ মাজত কোনো ফাৰাক নাই।"

> *ৰক্ষণশীল সত্ৰীয়া সমাজৰ কটকটীয়া নিয়ম শৃংখলাই তিৰোতাসকলৰ বিশেষকৈ বিধবা তিৰোতাসকলৰ জীৱন বিষময় কৰি তোলাৰ বৰ্ণনা উপন্যাসখনত অংকিত হৈছে। বিধবা নাৰীসকলক সত্ৰীয়া সমাজখনে মানুহ হিচাপে জীয়াই থাকিবলৈ দিয়াৰ পৰিবৰ্তে ডাষ্টবিনৰ পেলনীয়া জাবৰ হিচাপে গণ্য কৰে। ফলত বিধবা নাৰীসকলৰ জীৱনটো হৈ পৰে নিৰস আৰু শুকান কাঠৰ দৰে।*

**গিৰিবালা ঃ-** দূৰ্গাৰ দৰে গিৰিবালাও কম বয়সতে বিধবা হৈ পিতৃ গৃহত আশ্ৰয় লব লগা হৈছে। দূৰ্গাৰ বিপৰীতে গিৰিবালা আছিল প্ৰতিবাদী চৰিত্ৰ। ধৰ্মৰ নামত সামাজিক আচাৰ-নীতিৰ নামৰ প্ৰতিটো খোজতে মানবতা বিৰোধী মনোভাৱৰ হানা-খোচা আৰু পৰম্পৰাগত সমাজে কঠোৰ নীতি-নিয়ম গিৰিবালাৰ ওপৰ জোৰকৈ জাপি দিছিল যদিও গিৰিবালা সচেতন ভাবেই তাৰ প্ৰতিবাদ কৰিছিল। ফলত শাস্তিৰ সন্মুখীন হ'ব লগা হৈছিল। গিৰিবালাই প্ৰথম বিধবা হৈ মাকৰ ঘৰলৈ আহোতে তাইৰ খবৰ লোৱাৰ ছলেৰে গাঁৱৰ যি সকল তিৰোতাই তাইৰ জ্বলা জুইত ঘিউ ঢালিছিল তেওঁলোকক গিৰিবালাই গালি দি ঘৰৰ পৰা বাহিৰ কৰি দিছিল। দূৰ্গাৰ দৰে গিৰিবালাৰ পতিৰ প্ৰতি ভক্তি নাছিল। সেয়ে তাই মৃত স্বামীৰ খৰমত দূৰ্গাৰ দৰে প্ৰতিদিনে ফুল-তুলসী দিয়া নাছিল আৰু স্বামীৰ অস্থি গংগাত বিসৰ্জন দি স্বৰ্গলাভ কৰাৰ হাবিয়াস নাছিল । গিৰিবালা পিতৃ গৃহত আশ্ৰয় লোৱা দেখি গাঁৱৰে এগৰাকী বামুণ তিৰোতাই গিৰিবালাৰ মাতৃক কৈছিল - "কিছুদিন ৰাখি তুমি গিৰিক ওল্টে পঠিয়াবি, স্বামী ভিঠাই স্বৰ্গ। স্বামী ভিঠাত হাড় পেলোৱা তীৰেয়ে স্বৰ্গ পাবা পাৰে। স্বামী ভিঠা এৰি অহা তিৰি আৰু লেংটা হৈ বাটে বাটে ঘূৰি

ফুৰা তিৰীৰ মাজত ফাৰাক নাই।" বিধবা নাৰীৰ প্ৰতি এয়াই পৰম্পৰাগত সমাজৰ ধাৰণা। বিধবা গিৰিবালাৰ ওপৰত জাপি দিয়া নীতি-নিয়মৰ অন্ত নাছিল। বিধবাসকলে মাংস খাব নাপায় বুলি ৰক্ষণশীল সত্ৰীয়া সমাজৰ নিয়ম আছিল কিন্তু গিৰিবালাই ককাকৰ শ্ৰাদ্ধত খাহী মাংসৰ ফুৰ ফৰীয়া গোন্ধত ৰব নোৱাৰি মাংস খোৱাৰ বাবে পৰাচিতৰ সন্মুখীন হ'ব লগা হৈছিল। গাভৰু কালতে বিধবা হোৱা গিৰিবালাই পাৰ্থিব কামনা -বাসনাৰ পৰা হাত সাৰিব পৰা নাছিল। ব্ৰাহ্মণ বিধবাৰ সাজ পৰিধান কৰিও যুৱতী সুলভ কামনা-বাসনাই তাইক এৰা দিয়া নাছিল । সেয়ে তাই খ্ৰীষ্টান যুৱক মাৰ্কৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু সহজ ভাৱে প্ৰেম নিবেদন কৰিছিল। মাৰ্কৰ সৈতে নতুন জীৱন গঢ়াৰ সংকল্প গ্ৰহণ কৰিছিল। ধুমুহা বৰষুণকো নেওচি গোপনে মাৰ্কৰ ওচৰত আত্ম সমৰ্পন কৰিছিল। অন্ধ বিশ্বাস, কু-সংস্কাৰেৰে ভৰি থকা ৰক্ষণশীল সমাজখনৰ পৰা সাৰি যাব নোৱাৰিলে। অৱশেষত মেঘ দাহৰ বাবে সজা চালিৰ তলত পৰাচিত হবলৈ গৈ নিজকে জুইত আত্মজাহ দিলে।

**সৰু গোসানী ঃ-** ইন্দ্ৰ নাথৰ খুড়ীয়েকে সন্তান জন্মৰ পূৰ্বে বিধবা হয়। সেয়ে তাইক শাৰীৰিক ক্ষুধাই পীড়িত কৰে। এই পীড়ন প্ৰশমিত কৰিবৰ বাবে সৰু গোঁসানীয়ে পত্নীহীন মহীধৰৰ প্ৰতি এক তীব্ৰ আকৰ্ষণ অনুভৱ কৰে। হাতত মাটিৰ চাকি লৈ মহীধৰৰ শোৱা কোঠালিৰ ফালে আগবাঢ়ি গৈয়ো তাই সনাতন সংস্কাৰৰ বশৱৰ্তী হৈ তাৰ পৰা উভতি আহে। পৰম্পৰাৰ বান্ধোন ছিঙি মহীধৰ কাষ চাপিব পৰা নাই।... সৰু গোঁসানীৰ সন্মুখত এখন লোহাৰ দুৱাৰ। এই দুৱাৰ ভঙাৰ শক্তি সুৰ গোঁসানীৰ নাই। মহীধৰ বাপুক লগত ৰখাৰ বাবে সৰু গোঁসানীয়ে ব্যভিচাৰিণী আখ্যা পাইছে যদিও মহীধৰক তেও আতৰাই পঠিয়াব পৰা নাই। এগৰাকী নিসংগ বিধবা নাৰীৰ সুদীৰ্ঘ জীৱন যাত্ৰাত এজন পুৰুষৰ সাহায্যৰ যে কিমান প্ৰয়োজন সেই কথা সৰু গোঁসানীয়ে মৰ্মে মৰ্মে উপলব্ধি কৰিছে। অচিনাকী এই ব্যক্তিজনৰ প্ৰতি তেওঁৰ মনত অবদমিত বাসনা সাৰ পাই উঠিছে যদিও পিছ মুহূৰ্ততে পৰম্পৰা আৰু সংস্কাৰৰ কাষত তেওঁৰ এই বাসনা সুপ্ত হৈ পৰিছে। □ □

# যুৱ অপৰাধ প্ৰৱণতাৰ কাৰণ আৰু ইয়াৰ প্ৰতিকাৰৰ উপায়

ভৃগু কুমাৰ দাস
প্ৰাক্তন ছাত্ৰ

বৰ্তমান যুগৰ এক প্ৰধান সমস্যা হৈছে যুৱ অস্থিৰতা আৰু অপৰাধ প্ৰৱণতা। ইয়াৰ মূল কাৰণ হ'ল বিশৃংখল সামাজিক অৱস্থা- যি অৱস্থাই যুৱক-যুৱতীৰ মানসিকতাক প্ৰভাৱান্বিত কৰিছে। দূৰ্নীতি, সাম্প্ৰদায়িকতা, সংঘৰ্ষ, দলীয় বিদ্বেষ, ব্যক্তিৰ অসহিষ্ণুতা আৰু বৰ্ধিত নিবনুৱা সমস্যা আদিয়ে বৰ্তমান সমাজৰ যুৱক-যুৱতীৰ মনত এক অস্থিৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। যাৰ ফলত বৰ্তমান যুৱক -যুৱতীসমূহ এক হতাশাজনক পৰিৱেশৰ সন্মুখীন হ'ব লগা হৈছে অপৰাধ প্ৰৱণতাৰ বহুতো কাৰণ আছে। যেনে- বৰ্তমানৰ সামাজিক অৱস্থা, ৰাজনৈতিক অৱস্থা, অৰ্থনৈতিক অৱস্থা, প্ৰশাসনীয় অৱস্থা, ঘৰুৱা অৱস্থা ইত্যাদি। এইবোৰৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল।

<u>সামাজিক অৱস্থা ঃ-</u> ধৰ্ম নিৰপেক্ষতাত বিশ্বাস কৰা ভাৰত আজি সাম্প্ৰদায়িক সংঘৰ্ষত জৰ্জৰিত। ধৰ্মৰ নামত সমাজত যি বিভাজন সৃষ্টি হৈছে তাৰ ফলত জাতি-ভেদ প্ৰথাৰ প্ৰভাৱ বৰ্তমানেও কমা নাই । এই অৱস্থাই আমাৰ যুৱক -যুৱতীৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰতিহিংসাৰ মনোভাৱ জোগাই তুলিছে আৰু ফলত যুৱ অস্থিৰতা আৰু অপৰাধ প্ৰৱণতাৰ সৃষ্টি হৈছে।

**ৰাজনৈতিক অৱস্থাঃ** ৰাজনীতিত বৰ্তমান যিদৰে দূৰ্নীতি তথা দলীয় স্বাৰ্থ চলিছে, সেইবোৰ দেখিও যুৱক -যুৱতীসকল হতাশাগ্ৰস্ত হৈছে। বৰ্তমানে ৰাজনীতিত নিৰ্বাচনত টকাৰ প্ৰয়াসেৰে জয়ী হোৱা দেখিবলৈ পোৱা গৈছে, যাৰ ফলত যুৱসমজাৰ মাজত অস্থিৰতা আৰু অপৰাধ প্ৰৱণতাই দেখা দিছে।

<u>অৰ্থনৈতিক অৱস্থা ঃ-</u> বৰ্তমান যুগত বেছি সংখ্যক যুৱক-যুৱতী নিবনুৱা হোৱা কাৰণে দেশত এক ভয়ংকৰ সমস্যাৰ সৃষ্টি হৈছে। এই নিবনুৱা অৱস্থাৰ কাৰণে যুৱক -যুৱতীয়ে বৰ্তমানে এক অস্থিৰতা অনুভৱ কৰি বিভিন্ন ধৰণৰ অসামাজিক তথা কু-কৰ্মত লিপ্ত হোৱা দেখা গৈছে। যুৱক - যুৱতীৰ অৰ্থনৈতিক অৱস্থা দুৰ্বল হোৱা বাবে যুব অপৰাধ প্ৰৱণতা বাঢ়ি যাব ধৰিছে।

<u>প্ৰশাসনীয় অৱস্থা ঃ-</u> বৰ্তমানৰ প্ৰশাসনীয় ব্যৱস্থাইও যুৱক-যুৱতীৰ প্ৰতি সহানুভূতি নেদেখুৱাই আৰু ফলত যুৱ অপৰাধ প্ৰবণতা বাঢ়ি যাবলৈ ধৰিছে। বৰ্তমান যুগত চাকৰি বা তেনেধৰণৰ কামৰ নিযুক্তিৰ ক্ষেত্ৰত যি দূৰ্নীতিয়ে দেখা দিছে তাৰ ফলত আমাৰ যুৱ সমাজ অস্থিৰ হৈ পৰিছে আৰু যুৱ অপৰাধ প্ৰৱণতাৰ মাত্ৰা বাঢ়ি গৈছে। দেশৰ শাসন ব্যৱস্থাত ৰাজনৈতিক দলৰ প্ৰভাৱ বৃদ্ধি পাইছে আৰু এইবিলাক কাৰণতে যুৱ

অপৰাধ প্ৰৱণতা মূৰ দাঙি উঠিছে।

**ঘৰুৱা কাৰণ ঃ-** বৰ্তমান যুৱক -যুৱতীৰ অস্থিৰতা আৰু অপৰাধ প্ৰৱণতাৰ ওপৰৰ কাৰণবোৰৰ উপৰিও কিছুমান ঘৰুৱা কাৰণো মুখ্য হ'ব পাৰে, যেনে - ঘৰৰ বান্ধোন সু-দৃঢ় নহ'লে, ইয়াত প্ৰয়োজনীয় অনুশাসন আৰু পিতৃ-মাতৃৰ কৰ্তৃত্ব নাথাকিলে, মাক -বাপেক বা ভাই-ভনী বা ঘৰৰ অন্য পৰিয়ালৰ সদস্য সমূহৰ মাজত মিলা-প্ৰীতি নাথাকিলে, অন্যথা অতিশয় অৰ্থনৈতিক অভাৱে দেখা দিলে যুৱক -যুৱতীয়ে অপৰাধমূলক কাম কৰিব পাৰে। সমাজৰ আদৰ্শৰ লগতে ঘৰৰ আদৰ্শই ল'ৰা-ছোৱালীক প্ৰভাবান্বিত কৰে, কিন্তু ইয়াৰ অভাৱে ল'ৰা-ছোৱালীক বিপথে পৰিচালিত কৰে। মুঠৰ ওপৰত বিভিন্ন ধৰণৰ ঘৰুৱা সমস্যাৰ দ্বাৰাও যুৱ অস্থিৰতা আৰু অপৰাধ প্ৰৱণতাৰ সৃষ্টি হ'ব পাৰে।

## যুৱ অপৰাধ প্ৰৱণতা প্ৰতিকাৰৰ উপায়ঃ-

যিকোনো সমস্যা সমাধানৰ একমাত্ৰ উপায় হ'ল শিক্ষা। যুৱ-অপৰাধ প্ৰৱণতা হ'ল আমাৰ এক ভয়ংকৰ সমস্যা। ইয়াৰ সমাধান কেৱল এক উপযুক্ত শিক্ষাৰ দ্বাৰাহে কৰিব পাৰি। অবাঞ্চিত আৰু অনিয়ন্ত্ৰিত আবেগৰ বশৱৰ্তী হৈ কোনো ধৰণৰ অপৰাধমূলক কাম কৰাৰ ফলত ক্ষতি আমাৰ নিজৰেই হ'ব। গতিকে আমি যিকোনো কাম ধৈৰ্য সহকাৰে কৰা উচিত। আমি যুৱ সমাজে অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰি, কিন্তু নিজে আইন হাতত নলৈ এক নিকা সমাজ গঠনৰ ওপৰত গুৰুত্ব দিব লাগে। শিক্ষাৰ দ্বাৰা আমি যুৱক -যুৱতীসমূহৰ মাজত এইটো জ্ঞান দিব লাগে যে এক হিংসাপূৰ্ণ মনোভাৱেৰে কেতিয়াও ভাল ফল পাব নোৱাৰি। আমি আমাৰ সমাজত থকা দূৰ্নীতি , অন্যায়, সাম্প্ৰদায়িকতা, ব্যভিচাৰ আদি গুচাবৰ বাবে আমাৰ যুৱসমাজৰ মাজত থকা দোষসমূহ নিজে -নিজেই আঙুলিয়াই ল'ব লাগিব আৰু এইটো সম্ভৱ কেৱল শিক্ষাৰ দ্বাৰাহে। কাৰণ শিক্ষাইহে উচিত-অনুচিতৰ বিচাৰ কৰিবলৈ শিকায়। যুৱ শক্তি হৈছে এক মহান শক্তি, যি শক্তিয়ে সমাজ তথা দেশৰ উন্নতি কৰিব পাৰে। গতিকে প্ৰত্যেক যুৱক-যুৱতীয়ে অপৰাধ প্ৰৱণ মনোভাৱ পৰিহাৰ কৰি দেশ আৰু জাতিৰ উন্নতিৰ হকে কাম কৰাৰ মানসিকতা গঢ়ি তুলিব লাগিব। দেশত হৈ থকা বিভিন্ন অপৰাধ সমূহৰ বিৰুদ্ধে প্ৰতিবাদ কৰিহে এখন উন্নত দেশ গঢ়াৰ সপোন বাস্তৱায়িত কৰিব লাগিব- দেশৰ উদীয়মান যুৱক-যুৱতীসকলেহে। প্ৰকৃত দেশৰ নাগৰিক হিচাপে দেশ প্ৰেমৰ মনোভাবেৰে আগবাঢ়ি যাবলৈ মহান ভাৰতীয় আদৰ্শ আৰু ঐতিহ্যক গ্ৰহণ কৰি যুৱক-যুৱতীসকল আগবাঢ়ি যাব লাগিব- দেশ গঢ়াৰ কামত। এক গঠনমূলক চিন্তা-চৰ্চা আৰু বৈজ্ঞানিক মানসিকতাৰে কাম কৰাৰ সাহস লাভ কৰিব লাগিব দেশৰ যুৱক-যুৱতীসকলে। এই কাম সফল কৰিবলৈ যুক্তিপূৰ্ণ আৰু ব্যৱহাৰিক শিক্ষাৰ প্ৰয়োজন সৰ্ব্বাধিক। এষাৰ কথাই আছে যে শিক্ষাই অন্ধকাৰ আঁতৰাই পোহৰৰ সন্ধান দিয়ে। গতিকে আমাৰ যুৱ সমাজৰ মাজত থকা অপৰাধ প্ৰৱণ মনোভাৱ আঁতৰ কৰিবলৈ শিক্ষাইহে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব পাৰে। এই কথা দেশৰ প্ৰতিজন যুৱক-যুৱতীয়ে হৃদয়ঙ্গম কৰিব লাগিব। তেতিয়াহে দেশৰ প্ৰকৃত উন্নতি আশা কৰিব পাৰি। ❐ ❐

# আইতাৰ সতে উমলা দিনবোৰ

উদয় ৰয়
স্নাতক দ্বিতীয় বৰ্ষ

"সোঁৰণি তুমি আকৌ এবাৰ জাগি উঠা,
তোমাৰ বুকুত থকা অজস্ৰ শুকুলা
জিঞা পাখিৰ নিচিনা ধূসৰ স্মৃতিবোৰ মেলি দিয়া।
আকৌ এবাৰ মিলি যাওঁ দূৰ- দিগন্তলৈ,
ঘুৰি যাওঁ অতীতৰ সোণালী দিনবোৰলৈ,
সপোন সপোন যেন লগা ধূলি-ধেমালিৰে ভৰা
স্মৃতিবোৰ।"

সময় গতিশীল। ই কেতিয়াও বৈ নাথাকে। এই গতিশীলতাৰ লগত আমাৰ জীৱনবোৰ মিলাই যাবলৈ যত্ন কৰো। ফলত আমি প্ৰত্যেকে এৰি আহো স্মৰণীয় দিনবোৰ। পুনৰ ঘুৰি নাহিবলৈ পাৰ হৈ যোৱা দিনবোৰ হৈছে আমাৰ অতীত। এই অতীতৰ সোঁৰণি অতি মধুৰ। অতীতৰ প্ৰতিটো মধুৰতম মূহুৰ্ত্তই অনুভূতি প্ৰৱন লোক সকলক এক নষ্টালজিক আমেজ দিয়ে। অততীক সোঁৰণ কৰিয়েই আমি কেতিয়াবা বৰ্তমানক গঢ়ি তুলিবলৈ প্ৰয়াস কৰো। ফলত অতীত হৈ পৰে আমাৰ বাবে জীৱন গঢ়াৰ এক প্ৰধান উপাদেয়।

অসমীয়া সমাজত প্ৰচলিত পৰম্পৰা অনুসৰি ককা-আইতাহঁতে নাতি-নাতিনীহতঁৰ লগত সময়বোৰ কটাই ভাল পায়। আইতা হ'ল মৰমৰ এক পাৰবিহীন সাগৰ। ককা-আইতা আৰু নাতি-নাতিনীৰ আড্ডাবোৰ পৰিয়ালৰ মাজত জমি উঠে। ঠেতুৰা লগা জাৰৰ দিনত পৰিয়ালৰ আটাইৰে লগত জুহালৰ কাষত ঘুৰণীয়া হৈ বহি চাহ-জলপানৰ আমেজ লোৱাৰ লগতে আইতাই তেওঁৰ শৈশৱ, কৈশোৰৰ ঘটনাবোৰ আমেজ লগাই কৈছিল আৰু আমি বৰ মনোযোগেৰে শুনিছিলোঁ। আকৌ জহৰ দিনত জোনৰ পোহৰত চোতালত বহি আইতাই বিচনীৰে বিচি সাধু কৈছিল- "ককা দেউতা হাতী আৰু নাতি ল'ৰা" , "বুঢ়ী আইৰ সাধু", "পৰীৰ দেশৰ সাধু", "তেজিমলাৰ সাধু" "তুলা আৰু তেজা", "চিলনী জীয়েকৰ সাধু", "ভীম বোকাসুৰৰ যুদ্ধ" আৰু যে কত কি শুনাইছিল। ইয়াৰ উপৰিও আইতাই বিয়ানাম আৰু থলুৱা গীত-মাত শুনাইছিল। গধুলি কোলাত টোপনি নিয়াবলৈ চেষ্টা কৰি কিমান যে গীত নুযুৰিছিল! "শিয়ালী এ, নাহিবি ৰাতি, তোৰে কানে

কাতি লগামে বাতি” আদি অলেখ নিচুকনি গীত, গোঁসাই নাম গাই আমোল মোলাই টোপনি নিয়াইছিল। ফৰিংফুটা জোনাক ৰাতি আমি আমনি কৰিলে আইতাই কোলাত লৈ জোনটোলৈ দেখুৱাই গাইছিল - “জোনবাই এ” বেজী এটি দিয়া। বেজিনো কেলেই ? মোনা সিবলৈ।” নাইবা “জোনবাই এ’ পিঠা এটি দিয়া... পাত নাই, চোত নাই, কিহতকৈ দিম” ইত্যাদি। হয়তো আইতাৰ লগত উমলা দিনবোৰ অদূৰ ভবিষ্যতে অসমীয়া সংস্কৃতিৰ পৰা হেৰাই যাব। কিয়নো আজিৰ সৰু ল’ৰা-ছোৱালীবোৰে ককা-আইতাহঁতৰ লগত ধেমালি কৰাৰ পৰিবৰ্তে “ভি ডি ও গেম” বা টিভিত কাৰ্টুন চাই সময়বোৰ কটাই ভাল পায়। ভৱিষ্যতে যাতে অসমীয়া মানুহৰ মাজৰ পৰা এই পুৰণি সংস্কৃতিবোৰ হেৰাই নযায় তাৰ কামনাৰে .........

---

*মুকলি মূৰীয়া আলোচনা অবিহনে কোনো প্ৰশ্নৰ সমাধান বিচাৰি পোৱা নাযায়।*

*- মেকলে*

*কথা কোৱাৰ আগতে শুনি লবা, লিখাৰ আগতে ভাবিবা, খৰচ কৰাৰ আগতে আয় কৰিবা, সমালোচনা কৰাৰ আগতে অপেক্ষা কৰিবা, প্ৰাৰ্থনা কৰাৰ আগতে সকলোকে ক্ষমা কৰিবা, মৃত্যুৰ আগতে সমাজক যি পাৰা দি যাবা।*

*-উইলিয়াম আৰ্থাৰ ৱাৰ্ড*

# সাম্প্ৰতিক সময়ত শিক্ষাৰ সংকট

তুলিকা দাস
প্ৰাক্তন ছাত্ৰী

মানুহে গছৰ খোৰাঙত থাকিবলৈ লোৱাৰ দিনৰে পৰা শিক্ষাৰ আৰম্ভ হয় বুলি কব পৰা যায় যদিও শিক্ষাৰ আচল আৰম্ভণি হয় প্ৰাক্-ঐতিহাসিক যুগত। গুৰু গৃহৰ শিক্ষাকেই ইয়াৰ এক কথাত আনুষ্ঠানিক শিক্ষা বুলিব পৰা যায়। তথাপিও এইটো নকলে অলপ ভুল হ'ব যে সম্ভ্ৰান্ত পৰিয়াল অথবা সমাজৰ উচ্চবৰ্ণ পৰিয়ালৰ ল'ৰাৰ বাবেহে শিক্ষা মুকলি আছিল। আমাৰ দেশত প্ৰকৃতাৰ্থত অনুষ্ঠানিক শিক্ষা আৰম্ভ হয় মধ্যযুগত ইংৰাজ শাসনৰ মাজভাগৰ পৰাহে। বৃটিছসকল তেওঁলোকৰ স্বাৰ্থ পূৰণৰ বাবে অৰ্থাৎ কেৰাণী - মহৰীৰ লেখিয়া নিম্ন লোকৰ কিছুমান চৰকাৰী চাকৰিত মকৰল কৰিবৰ বাবে ভাৰতীয় লোকক স্বাক্ষৰ কৰি লৈছিল। বোধহয় এয়াই আছিল আধুনিক ভাৰতীয় শিক্ষাৰ আনুষ্ঠানিক আৰম্ভণি। তেতিয়াৰ পৰা শিক্ষা ব্যৱস্থাই পদে পদে উন্নতি কৰি বৰ্তমান সময়ত উপনীত হৈছে যদিও সাম্প্ৰতিক সময়ত চাৰিওদিশে শিক্ষাৰ সংকটে আমাক আগৰি ধৰা পৰিলক্ষিত হয়।

সুপ্ৰাচীন বৰ্ণময় ভাৰতীয় সংস্কৃতিৰ বুকুত জন্মলাভ কৰি আজিও চতুৰ্দিশে দেখা পাইছো নৈতিকতা আৰু প্ৰমূল্যৰ অবক্ষয়ে বিধ্বস্ত কৰি পেলোৱা এক সমাজ সংস্কৃতি। অনুশাসন হীনতা, উশৃংখলতা, অপৰাধ প্ৰৱণতাই আজিৰ সমাজক কৰি তুলিছে দিক্‌ভ্ৰান্ত। প্ৰাচীন কালত স্কুল, কলেজ, বিশ্ববিদ্যালয়ত আজিৰ দৰে লাখ লাখ ছাত্ৰ-ছাত্ৰী নাছিল। খুব কম সংখ্যক ছাত্ৰই গুৰুৰ ঘৰত থাকি শিক্ষা গ্ৰহণ কৰিছিল। ছাত্ৰসকলক সকলো দিশতে পৈণত কৰি তুলিব নোৱাৰা পৰ্যন্ত গুৰুৱে যেনেকৈ ছাত্ৰসকলক পুত্ৰবৎ জ্ঞান কৰি সু-নাগৰিক হিচাবে গঢ়ি তোলাৰ বাবে সকলো চেষ্টা অব্যাহত ৰাখিছিল সেইদৰে ছাত্ৰইও গুৰুক নিজ পিতৃৰ দৰে পাবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিল। শাৰীৰিক, মানসিক, আধ্যাত্মিক আৰু বৌদ্ধিক সকলো দিশতে পৰিপূৰ্ণতা লাভ কৰা এজন ছাত্ৰ গুৰু গৃহৰপৰা উভতি আহি সমাজখনক এটা নিটোল ৰূপ প্ৰদান কৰিবলৈ সক্ষম হৈছিল। "ছাত্ৰানং অধ্যয়নং তপঃ" অৰ্থাৎ অধ্যয়নেই ছাত্ৰৰ উপাস্য সেই কথাষাৰ প্ৰাচীন কালৰ শিক্ষা পদ্ধতিত খাপ খাই পৰিছিল। সময় সলনি হ'ল। চিন্তাৰ পৰিবৰ্তন ঘটিল। বিভিন্ন বিষয়ৰ জ্ঞান আহৰণৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মন হৈ পৰিল বিভিন্ন চিন্তা আদৰ্শ আৰু প্ৰভাৱৰ উৰ্বৰ ক্ষেত্ৰ। দেশ আৰু জাতিৰ প্ৰয়োজনত ছাত্ৰই ৰচনাত্মক ভূমিকা পালন কৰিবলৈও সক্ষম হ'ল।

দেশত বাঢ়ি অহা জনসংখ্যাই বিভিন্ন সমস্যাৰ জন্ম দিলে। সেই সমস্যা সমূহৰ সমাধানৰ

পথ বিচাৰি ছাত্ৰ-ছাত্ৰী উদ্বাউল হৈ উঠিল। অকল পঢ়া-শুনাতে আৱদ্ধ নাথাকি ছাত্ৰ-ছাত্ৰীৰ মন ধাবিত হ'ল এই সমস্যা সমূহৰ পম খেদি। যাৰবাৰে ছাত্ৰ-ছাত্ৰীসকলৰ শক্তিৰ প্ৰতি দেশৰ জনতাই আনুগত্য প্ৰকাশ কৰিবলৈ ধৰিলে ফলত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰাই সৃষ্টি হ'ল অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ এক এক বৃহৎ প্ৰতিবাদী কণ্ঠ। যাক দেশৰ চৰকাৰেও সমীহ কৰি চলিবলৈ বাধ্য হ'ল। এনে এক সন্মিলিত শক্তিযেহে সৎ উদ্দেশ্যেৰে কাম কৰিলে অসাধ্য সাধন কৰিব পাৰে। কিন্তু কেতিয়াবা দেখা যায় এজন ছাত্ৰই বিপথে পৰিচালিত হৈ সমাজৰ ক্ষতিসাধন কৰাৰ লগতে ছাত্ৰ সমাজকো কলুষিত কৰে। এই ধৰণৰ বিষয়সমূহৰ প্ৰতি বিশেষভাৱে মনোযোগ দি নেতৃত্বই আগতীয়াকৈ তাৰ প্ৰতিকাৰ চিন্তা কৰাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি।

বৰ্তমান শিক্ষাৰ সমস্যাসমূহ নিৰ্মূল কৰিবলৈ বিভিন্ন স্তৰত চেষ্টা চলিছে যদিও নতুন নতুন সমস্যাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। অসমৰ চাৰিওফালে হত্যা, লুণ্ঠন, মৰামাৰি, কটা-কটি, সন্ত্ৰাসবাদ বিছিন্নতাবাদ, ধৰ্ষণ, অপহৰণ, সুৰা আৰু ড্ৰাগছৰ অবাধ প্ৰচলনৰ ফলত এটা ধ্বংসাত্মক পৰিৱেশ গঢ় লৈ উঠিছে। ছাত্ৰ-ছাত্ৰীৰ উচ্ছৃংখলতা, যুৱ মানসিকতাৰ ভয়াবহতাত সমাজ এস্তমান। এনে অৱস্থা আৰু সমস্যাৰ উৰ্দ্ধত থাকি কৰ্তব্যপৰায়ণ হৈ শিক্ষক সকলে শিক্ষাদান কাৰ্যত আত্মনিয়োগ কৰি শিক্ষক সমাজৰ মান অটুট ৰাখিবলৈ মাৰ বান্ধি ঠিয় দিয়াৰ সময় সমাগত। শিক্ষাৰ অৱক্ষয় ৰোধ কৰি এখন নিকা, মুক্ত, শান্তিপূৰ্ণ আৰু প্ৰগতিশীল সমাজ গঢ়ি দিয়াত শিক্ষকসকলে অবিৰত চেষ্টা চলাই যাব লাগিব। তাৰবাবে শিক্ষকসকলে যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ মানসিকভাৱে প্ৰস্তুত হ'ব লাগিব। ছাত্ৰ-ছাত্ৰীক পোহৰৰ বাট দেখুৱাব লাগিব শিক্ষক সকলেই। শিক্ষকৰ দায়িত্ব সম্পৰ্কে Loren নামৰ এজন শিক্ষাবিদে কৈছে -

"The teacher is not merely the fountain of facts, the walking encycloepdia and universal provider of useful to the young but their guide philosopher and friend, the skilled builder of intelect" শিক্ষক হৈছে ছাত্ৰৰ "Friend , Philosopher and Guide" এনে এক পৱিত্ৰ মৰ্যদাসম্পন্ন বৃত্তিৰ লগত জড়িত হৈ শিক্ষক সমাজে এনে কিছুমান মহৎ গুণ আয়ত্ব কৰিব লাগিব যাৰ জৰিয়তে ছাত্ৰক প্ৰকৃত শুদ্ধ পথৰ নিৰ্দেশনা দিবলৈ সক্ষম হয়।

সাম্প্ৰতিক সময়ত শিক্ষাৰ ক্ষেত্ৰত আহি পৰা প্ৰধান সংকটসমূহ বা কাৰণসমূহ হ'ল -

(ক) ঐতিহাসিক কাৰণ ঃ - প্ৰাচীন গুৰুকুল ব্যৱস্থাৰ পৰাই আগবাঢ়ি আহি আমাৰ শিক্ষা ব্যৱস্থাই আজিৰ অৱস্থা লাভ কৰিছে। এই পৰিৱৰ্তিত অৱস্থা লাভ কৰোতে আমাৰ ৰাজ্যখনে অনাহকতে বহু বছৰ পিছুৱাই যাব লগা হৈছিল তাহানিৰ পাঠশালা, টোল বা চতুষ্পাঠী, মাদ্ৰাছা, মোক্তাব আদিৰ দৰে শিক্ষানুষ্ঠানসমূহৰ জৰিয়তে যি শিক্ষাদানৰ ব্যৱস্থা প্ৰচলিত হৈ আছিল বৃটিছৰ আমোলত আৰম্ভ হোৱা আধুনিক ইংৰাজী শিক্ষাৰ প্ৰৱৰ্তনে এই ব্যৱস্থাত যতি পেলাইছিল। ১৮৭৪ চনত অসমক বংগৰ পৰা বিচ্ছিন্ন কৰি অনাৰ পিছত আধুনিক ইংৰাজী শিক্ষাৰ সূচনা হয় যদিও ভূতৰ ওপৰ দানহৰ দৰে এটা সমস্যাই অসমৰ

বিদ্যালয়সমূহক গ্ৰাস কৰিছিল সেয়া হ'ল বিদ্যালয়সমূহত বঙলা ভাষাৰ প্ৰচলন; এই সমস্যাৰ পৰা উদ্ধাৰ পোৱাৰ নিমিত্তে আমাৰ ৰাজ্যখনে অনাহকত ভালেমান দিন যুঁজিব লগা হৈছিল। পিচত অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা হ'লে যদিও এইবাৰ আহিল পাঠ্যপুথি অভাৱৰ সমস্যা। অসমীয়া ভাষাৰ প্ৰয়োজনীয় পাঠ্যপুথি নথকা হেতুকে পাঠদানত ব্যাঘাত ঘটিছিল। এনেয়ে অনগ্ৰসৰ ৰাজ্যখনৰ শিক্ষাৰ ক্ষেত্ৰতো আনৰ বৈষম্যমূলক দৃষ্টিভংগীৰ বাবে কুৰিটা বছৰতকৈও অধিক কাল পিছপৰি থাকিব লগা হোৱাটো আমাৰ সামাজিক জীৱনত ডাঙৰ আঘাত হৈ পৰিল।

পৰবৰ্তীকালত বাধ্যতামূলক শিক্ষাই গৃহীত হৈছিল যদিও আৰ্থিক দূৰৱস্থা, নিৰক্ষৰ অভিভাৱক, সামাজিক কু-সংস্কাৰ ইত্যাদি কাৰণতো আমাৰ ৰাজ্যখন শিক্ষাৰ ক্ষেত্ৰত আনৰ সমানে আগবাঢ়িব পৰা নাছিল। সেই পিছপৰা অৱস্থাৰ সৈতে পৰৱৰ্তীকালত অইন কেইবাটাও কাৰণৰ বাবে সেই ক্ষতি বৰ্তমানেও পুৰাব পৰা হোৱা নাই।

(খ) **সামাজিক কাৰণ ঃ-** আজি ভালেমান বছৰ ধৰি আমাৰ ৰাজ্যখনত বিভিন্ন সংগঠনে নিজ নিজ দাবীৰ সমৰ্থনত বন্ধকে আদি কৰি বিভিন্ন আন্দোলনৰ কাৰ্যসূচী সততে গ্ৰহণ কৰি অহাৰ ফলত মানুহৰ স্বাভাৱিক জীৱনযাত্ৰা বাধাগ্ৰস্থ হৈ আহিছে। এনেবোৰ ঋণাত্মক কাৰ্যাকলাপে সামাজিক পৰিৱেশ বিনষ্ট কৰে আৰু শৈক্ষিক দিশত ইয়াৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হয়। শিক্ষাৰ বিশেষ গুণ হ'ল নৈতিকতাৰ বিকাশ সাধন। আমাৰ সমাজত এই দিশটোৰ গুৰুত্ব কমি যোৱা বাবে যুৱ-উচ্ছৃংখলতা বৃদ্ধি পাইছে, দায়িত্ব তথা কৰ্তব্যৰ প্ৰতি অৱজ্ঞাৰ মনোভাৱ গঢ়ি উঠিছে। ফলত শিক্ষাৰ উদ্দেশ্যই ব্যৰ্থ হোৱা পৰিলক্ষিত হৈছে।

(গ) **অৰ্থনৈতিক কাৰণ ঃ-** অৰ্থসংকটৰ বাবে আমাৰ শিক্ষানুষ্ঠাসমূহে আৱশ্যকীয় পৰিৱেশ সৃষ্টি কৰিব পৰা নাই। যি সময়ত ইণ্টাৰনেটযোগে শিক্ষা দান বা শিক্ষা গ্ৰহণ চলিব লাগিছে সেই সময়ত আমাৰ বিশেষকৈ গ্ৰাম্যাঞ্চলত এনে বহু প্ৰাথমিক আনকি মাধ্যমিক বিদ্যালয় ওলাব য'ত ৰ'দ-বৰষুণ উভয় বতৰত বেৰ-চাল নোহোৱা হেতুকে বিদ্যালয়ত পাঠদান সম্ভৱ কৰিব পৰা নাযায়। বৰ্তমান বিজ্ঞান আৰু প্ৰযক্তিৰ উন্নতি হোৱা হেতুকে বিজ্ঞান শিক্ষাৰ গুৰুত্ব অতিকৈ বৃদ্ধি পাইছে। তেনেস্থলত আমাৰ বিদ্যালয়বোৰত সাধাৰণ শিক্ষাদানৰ বাবে প্ৰয়োজনীয় শিক্ষা সঁজুলিখিনিয়ে মজুত নাই। এনে অৱস্থাই শৈক্ষিক পৰিৱেশ সষ্টিত বাৰুকৈয়ে বাধাৰ সৃষ্টি কৰি আহিছে।

(ঘ) **ৰাজনৈতিক কাৰণ ঃ** শিক্ষানুষ্ঠানসমূহৰ পৰিচালনা , শিক্ষক নিযুক্তি, ছাত্ৰ-ছাত্ৰী নামভৰ্তিকে আদি কৰি অতি গুৰুত্বপূৰ্ণ বিষয়সমূহত ৰাজনৈতিক নেতা বা কৰ্মীসকলৰ অনাধিকাৰ প্ৰৱেশ দেখা যায়। বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ মাধ্যমেৰে এক প্ৰকাৰ সমাজখনকে গঢ় দিওঁতা শিক্ষকসকলৰ নিযুক্তিত শিক্ষাগত অৰ্হতাক আওকান কৰি ৰাজনৈতিক দৃষ্টিকোণেৰে বিচাৰ কৰিলে শিক্ষাৰ গতি নিম্নমুখী হোৱাটোৱেই স্বাভাৱিক।

আজি বিশ্বজুৰি গোলকীকৰণ, আধুনিকীকৰণ ইত্যাদিৰ আদৰ্শ ধ্বনিত হোৱাৰ লগে লগে সংশ্লিষ্ট সকলো পক্ষই বাস্তৱ আৰু কৰ্মমুখী আঁচনি গ্ৰহণ কৰি শিক্ষাৰ ঘাই শিপাডালৰ হানি নোহোৱাকৈ ইয়াত গভীৰতা প্ৰদান কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। □

# অসমীয়া তিৰোতাৰ সাজ

দেবায়ন বোস (বসু)
স্নাতক ২য় বৰ্ষ

মানৱ জাতি সুন্দৰৰ পূজাৰী। সুন্দৰৰ আৰাধনাত ব্ৰতী হৈ মানুহে নিজকে বিভিন্ন ৰূপত সজাবলৈ প্ৰয়াস কৰে। লজ্জা নিবাৰণ আৰু প্ৰকৃতিৰ ঋতু অনুযায়ী শীত-তাপৰ মাত্ৰাৰ পৰা দেহক ৰক্ষা কৰিবলৈ অতি প্ৰাচীন কালৰে পৰা মানুহে দেহত আৱৰণৰ প্ৰয়োজন অনুভৱ কৰিছিল। কিন্তু আধুনিক যুগত সময়ৰ পৰিৱৰ্তনৰ লগে লগে সেই আৱৰণেই মানুহৰ ৰুচি তথা মূল্যবোধৰ এক প্ৰধান অংগ হিচাপে পৰিগণিত হৈছে।

পিন্ধা সাজযোৰ পুৰুষ-তিৰোতা নিৰ্বিশেষে মানুহৰ সৌন্দৰ্যবোধ আৰু লজ্জাবোধৰ পৰিচায়ক। সামাজিক অৱস্থা, জাতি, বৰ্ণ-ধৰ্ম তথা বিবাহিত - অবিবাহিত ভেদে অসমীয়া তিৰোতাৰ সাজ-পাৰ বিভিন্ন হোৱা দেখা যায়। অসমীয়া সমাজতো সাজপাৰৰ পৰাই তিৰোতাৰ সামাজিক মৰ্যাদাৰ পৰিচয় পোৱা যায়। প্ৰাচীন ঐতিহ্য তথা বিভিন্ন তথ্য প্ৰমাণৰ পম খেদি এয়া নিশ্চিত হৈছে যে অসমীয়া মহিলাৰ পোছাক যোৰ হ'ল মেখেলা-চাদৰ বা ৰিহা-মেখেলা। অজন্তাৰ নাৰী চিত্ৰতো মেখেলাৰ প্ৰয়োগ মনকৰিবলগীয়া। অজন্তাৰ চিত্ৰৰ দৰে সাধাৰণ অসমীয়া আৰু জনজাতীয় তিৰোতাই বুকুত মেথনি মাৰি আঁঠুৰ ওপৰলৈ পেলাই মেখেলা পিন্ধাটো কাৰো অবিদিত নহয়। উচ্চ শ্ৰেণীৰ অসমীয়া তিৰোতাই ভৰিৰ সৰু গাঁথিলৈকে বিস্তৃত মেখেলা পিন্ধে আৰু বুকুৰ পৰা ককাললৈকে ৰিহা মেৰাই লয়। ৰিহাই কাচলিৰ কাম কৰে। ফুলবচা ৰিহাৰ ওপৰত এখনি চাদৰো ব্যৱহাৰ কৰিছিল। অসমীয়া তিৰোতাৰ সাজ হিচাপে পৰিচিত ৰিহা-মেখেলা চাদৰ - তিনিওখন বস্ত্ৰই উকা অথবা বিভিন্ন ফুলবচা আছিল।

যুগ পৰিবৰ্তনৰ লগে লগে মানুহৰ ৰুচিবোধ পৰিৱৰ্তন হৈছে। সম্প্ৰতি অসমীয়া তিৰোতাসকলে বিদেশী সংস্কৃতিৰ দ্বাৰা প্ৰভাৱান্বিত হৈ বিদেশী সাজ-পাৰ গ্ৰহণ কৰা দেখা গৈছে। সাম্প্ৰতিক কালত অসমীয়া মহিলাৰ মাজত শাৰী আৰু চুৰিদাৰৰ প্ৰচলন বাৰুকৈয়ে পৰিলক্ষিত হয়। আধুনিকতাৰ পৰশত নাৰীয়ে সমাজত পুৰুষৰ লগতে সমানে খোজ মিলাই কৰ্মসূত্ৰে বাহিৰৰ জগতত প্ৰৱেশ কৰা হেতুকে কম সময়তে পৰিধান কৰিব পৰা অথচ মাৰ্জিত ৰুচিৰ পোছাক এযোৰৰ প্ৰয়োজন হোৱাত শাৰী আৰু চুৰিদাৰৰ কাষ চাপিছে। যিহেতু উক্ত দুই ধৰণৰ বস্ত্ৰ পৰিধান কৰিলে নাৰীৰ সামাজিক মৰ্যাদা লাঘৱ নহয় সেয়ে

উক্ত দুই ধৰণৰ বস্ত্ৰ নাৰীয়ে নিৰ্বিবাদে গ্ৰহণ কৰিব পাৰে। কাৰণ উন্নতিৰ পথত অগ্ৰসৰ হ'বলৈ হ'লে সময়ৰ পৰিৱৰ্তনৰ লগে লগে জীৱন প্ৰণালীতো পৰিৱৰ্তন অহাটো স্বাভাৱিক। অৱশ্যে নিজস্বতা অৰ্থাৎ স্বকীয়তা ত্যাগ কৰি ইয়াক মানি লোৱাটো শ্ৰেয় বুলিও ক'ব নোৱাৰি।

প্ৰকৃততে সুন্দৰ সাজ-পোছাকে মানুহৰ বিশেষকৈ নাৰীসকলৰ মনত যি আনন্দৰ ভাব আনি দিব পাৰে সেই আনন্দ সকলো ক্ষেত্ৰতো পোৱাটো দুৰ্লভ। পাশ্চাত্যৰ প্ৰভাৱ আৰু আধুনিক ৰুচিবোধৰ প্ৰভাৱত অসমীয়া তিৰোতাৰ সাজত পৰিবৰ্তন আহিলেও আমি সাধ্যানুযায়ী নতুন প্ৰজন্মক বাট দেখুৱাব লাগিব, যাতে অসমীয়াৰ জাতীয় সাজ-পাৰ বিস্মৃতিৰ গৰ্ভত লীন হৈ নাযায়। সেয়েহে আধুনিকতাৰ লগতে পৰিস্থিতিৰ সৈতে খাপ খোৱা বিবিধ ৰহন সানি ধুনীয়া চাদৰ মেখেলা উলিয়াব পাৰিলে সেয়া সকলোৰে বাবে আদৰণীয় হৈ পৰিব বুলি একে আষাৰে ক'ব পাৰি। ☐

---

*নজনাটো সিমান লাজৰ কথা নহয়, শিকিবলৈ ইচ্ছা নকৰাটোহে বেছি লাজৰ কথা।*

*-লাব্বুৱাৰ*

*কোনো জাতিৰ মনোভব উন্নতি কৰিবলৈ সাহিত্যৰ যিমান শক্তি আছে আন কাৰো সিমান শক্তি নাই।*

*- সূৰ্যকুমাৰ ভূঞা*

# অসমীয়া লোকজীৱনত কল আৰু কলগছ

গীতুমনি দাস
স্নাতক ২য় বষ

অসমীয়া সমাজ জীৱনত ৰান্ধনি ঘৰৰ পৰা গোঁসাই ঘৰলৈ কলগছ, কল, কলপাতৰ অবাধ প্ৰচলন। সৌ তাহানি কালৰে পৰা বৰ্তমানলৈকে আমাৰ সংস্কৃতি আৰু পৰম্পৰাৰ এটি এৰাব নোৱাৰা অংগ হৈছে কলগছ। কলগছৰ ফল-ফুল, পাত-পচলা - এই সকলোবোৰ অসমীয়া মানুহৰ অতি পৰিচিত। অসমত বিভিন্ন প্ৰকাৰৰ কলৰ খেতি কৰা হয়। ইয়াৰে ভিতৰত চেনীচম্পা, মালভোগ, ৰামকল, ভীমকল, আঠীয়াকল , পূৰাকল, মনোহৰ, বৰমনোহৰ, পিঠাগুড়ি কল, জাহাজী কল, অমৃত সাগৰ ইত্যাদি প্ৰধান। বন জলকীয়া, বনধনীয়া, বনবাঁহ ইত্যাদিৰ দৰে পাহাৰত এবিধ বনৰীয়া কল পোৱা যায়, এই কল বিধক লেহেতী কল নামে জনা যায়। কল উৎপাদনৰ ক্ষেত্ৰত অসমৰ স্থান শীৰ্ষত। অসমৰ গোৱালপাৰা জিলাৰ দৰংগিৰিত হোৱা কলৰ বজাৰখন সমগ্ৰ এছিয়াৰ ভিতৰতে বৃহৎ কলৰ বজাৰ হিচাপে খ্যাত।

অসমীয়া সমাজত নাম-প্ৰসঙ্গ, পূজা-পাতল, বিবাহ-সবাহ সকলোতে কল, কলপাত অপৰিহাৰ্য। মাহ-প্ৰসাদৰ নৈবেদ্যখনৰ অন্যতম অংগ হৈছে কল আৰু নৈবেদ্যখন আগবঢ়োৱা হয় আগলতি কলপাতত। মেধি বা দেউৰীজনে কলপাতত বহিয়েই পূজাভাগ আগবঢ়ায়। পৰাচিত হওঁতেও কলপাতত বহিব লাগে। গাত বেছিকৈ বসন্ত ওলালে কলপাততে শুৱাই থোৱা হয়। ভীমকলৰ পাত আৰু লেহেতীকলৰ পাত কাটি আনি সেই পাতেৰে টোপোলা ভাত বনোৱা হয়। নাম-প্ৰসঙ্গৰ শেষত মাহ-প্ৰসাদ বিতৰণ কৰা হয় কলপাতত। অসমীয়া সমাজত বিয়াৰ বাবে ছোৱালী খুজিবলৈ যাওঁতে কলপাতত তামোল-পান বান্ধি নিয়া হয়। বিবাহ-সবাহ হ'লে পদুলিমুখত দুটা কলপুলি পোতা হয়। বেইশালি কলপুলিৰে তৈয়াৰ কৰা হয়, বিবাহ-সভাত ৰভাখনো নিৰ্মাণ কৰা হয় কলপাতেৰে। আজিও দুখীয়া লোক সকলে বিবাহ-সভাহত কলপাততে ভাত খুওঁৱাৰ ব্যৱস্থা কৰে। পৰিস্থিতিত পৰি অৱস্থাহীন লোকে কেতিয়াবা কলপাতত ভাত খাবলগীয়া হ'ব পাৰে। কলপাতত ভাত খোৱাৰ এটি বিজ্ঞানসন্মত কাৰণো আছে যে, কলপাতৰ গোন্ধটো আমাৰ স্বাস্থ্যৰ বাবে উপকাৰী। কলপাতৰ ব্যৱহাৰিতাৰ লগতে অসমীয়া সমাজত কলৰো ব্যৱহাৰ অপৰিহাৰ্য। গোঁসাইলৈ আগবঢ়োৱাৰ নৈবেদ্যখন কল অবিহনে সম্পূৰ্ণ নহয়। অসমীয়া মানুহে ৰাতিপুৱা জলপানৰ সৈতেও কল পৰিৱেশন কৰে। তদুপৰি ই স্বাস্থ্যৰ

বাবে খুব উপকাৰী। পুৰা কল পিটিকা , তৰকাৰী কৰি ভাতৰ সৈতে খোৱা হয়। লগতে কলৰ পৰা বিভিন্ন ধৰণৰ চৰবত, চিপছ্ ইত্যাতি প্ৰস্তুত কৰা হয়। ভীমকলৰ বাকলি শুকুৱাই থৈ পুৰি পানীত তিয়াই থোৱাৰ পিছত সেই পানীখিনি কেঁচা মিঠাতেলৰ সৈতে খালে কাহ ভাল হয়।

এইবোৰৰ উপৰিও কলগছৰ কলডিল বা কলফুল, কলপচলা আদিও অসমীয়া মানুহে খায়। এইবোৰ আমাৰ স্বাস্থ্যৰ বাবে খুব উপকাৰী। সেয়েহে বৰ্তমান সময়ত অসমৰ বাহিৰৰ মানুহেও কলফুলৰ আঞ্জা , কলপচলা খোৱা দেখিবলৈ পোৱা যায়। সময়ৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ ক্ৰিয়া- কৰ্ম উন্নত হয় ; এয়া শাশ্বত। বৰ্তমান সময়ত আমি কাগজত লিখো যদিও প্ৰাচীন কালত বিদ্যাৰ্থীসকলে কলপাতত খাগৰি কলমেৰে লিখি বিদ্যা অৰ্জন কৰিছিল। কলগছ আৰু ইয়াৰ ফল বান্দৰ, হাতী আদি জন্তুৰো প্ৰিয় খাদ্য। কলগছ এবিধ ঔষধি গছ, ই এবাৰ ফল দিয়ে মৰি যায়। সেয়েহে ইয়াৰ পুলিবোৰ পুনৰ ৰোপন কৰিব লাগে। কলগছৰ প্ৰতিটো অংশই আমাৰ বাবে প্ৰয়োজনীয়, ভীমকলৰ মধুনা অংশ ৰদত শুকুৱাই পুৰি তাৰ ছাইখিনিৰ পৰা কলাখাৰ প্ৰস্তুত কৰা হয়। পূৰ্বতে, লোণ আৱিস্কাৰ হোৱাৰ আগতে অসমীয়া সমাজে কলাখাৰৰ ব্যৱহাৰ কৰিছিল। এই সকলোবোৰলৈ চালে ক'ব পৰা যায় যে, কলৰ সোৱাদ যেনে অনুপম, তেনেদৰে ইয়াৰ গুণো অতুলনীয়। কলগছ অবিহনে অসমীয়াৰ জীৱনৰ গতি ৰুদ্ধ হৈ যাব যেন অনুমান হয়। বৰ্তমান সময়ত কলৰ অপূৰ্ব চাহিদাই ইয়াৰ কৃষিৰ পৰিমাণ বৃদ্ধি কৰিছে আৰু অসমৰ কৃষকসকলে এটি আশাৰ বতৰা কঢ়িয়াইছে। সেয়েহে কলগছ অসমীয়া সমাজৰ বাবে এক আপুৰুগীয়া সম্পদ হিচাপে গণ্য কৰিব পৰা যায়। □

---

*কুসংস্কাৰ হ'ল পৃথিৱীৰ সবাতোকৈ ডাঙৰ বোজা।*

*-সৰ্বপল্লী ৰাধাকৃষ্ণণ*